অসমীয়া বৰ্ণিলৰ পৰা প্ৰকাশিত
# ৰাঙলী

“ওৰে গছতে মৌৰে বাঁহে ল’লে
অ’ ককাই পাৰি দিয়া ঐ খাওঁ।
বাঁহৰে টকাটি সাজি দিয়া ককাইটি ঐ
অ’ বিহু নাচিবলৈ যাওঁ...।”

*অসমীয়া নৱবৰ্ষ আৰু*
*ৰঙালী বিহুৰ ওলগ জনালোঁ।*



❑ অসমীয়া বৰ্ণিলৰ পৰা প্ৰকাশিত ❑ ৰাঙলী ❑ সংখ্যা - ১ ❑ এপ্ৰিল’ ২০২৬ ❑ ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

## ব’হাগ প্ৰকৃতি আৰু জাতীয় জীৱনৰ চিৰন্তন স্পন্দন

■ দীপিকা দাস

*বিহু আনন্দীয়া, বিহু বিনন্দীয়া*
*বিহুৰ মৌ-মিঠা মাত;*
*বিহু-বা লাগি বিহুৱা ককাইৰ*
*দেওধ্বনি লাগিছে গাত।*

সৃষ্টিৰ সফলতা আৰু কৃতকাৰ্যতাৰ আনন্দত অন্তৰৰ অনন্ত অনুভূতিক হিয়া উজাৰি সুললিত ভাষা আৰু সুকুমাৰ অংগি-ভংগিৰে প্ৰকাশ কৰাটোৰেই মানুহৰ সহজাত প্ৰবৃত্তি। প্ৰকৃতিৰ খোজত খোজ মিলাই আমি আগবাঢ়ো, জীৱনৰ নিজস্ব ছন্দত অতীতক গৰকি বৰ্তমানৰ পৰা সুদূৰ ভৱিষ্যতলৈ বাট বোলো। প্ৰকৃতিৰ চিৰন্তন সত্যৰ সৈতে মানুহৰ বাস্তৱ জীৱনৰ গতি-লয়-তালৰ এক অনিন্দ্যসুন্দৰ অভিব্যক্তি আছে। বিহুৰ উৎপত্তিৰ উৎস এই সহজাত প্ৰবৃত্তিৰ প্ৰকাশৰে নিদৰ্শন। আদিম মানৱে সভ্যতাৰ সোপানত আগবঢ়াৰ লগে লগে কৃষি আৰু চিকাৰৰ কৃতকাৰ্যতাত, শাৰীৰিক শ্ৰমৰ বিৰতিৰ পাছত আজৰি সময়ত যি আনন্দ প্ৰকাশ কৰিছিল, সেয়াই আছিল বিহুৰ আদিম ৰূপ। এই প্ৰকাশ ব্যক্তিকেন্দ্ৰিক নহৈ সামূহিক আছিল বাবেই ই শেষত এক সামাজিক উৎসৱত পৰিণত হ’ল।

ঋতুৰ পৰিৱৰ্তনে প্ৰকৃতিৰ বুকুলৈ কঢ়িয়াই অনা বিচিত্ৰ শোভাই হেজাৰ দুখ-কষ্টৰ মাজতো মানুহৰ মন আন্দোলিত কৰি তোলে। ইয়াৰ মূলতেই হ’ল বসন্তৰ আগমন। বসন্ত মানেই ব’হাগৰ নিজস্ব আবেদনেৰে ভৰা শত সুৰভিৰে পূৰ্ণ বৈচিত্ৰ্যৰ আভাস। জাতীয় জীৱনৰ সকলো উচ্ছ্বাস, আশা-আকাংক্ষা আৰু আৱেগ-অনুভূতি বিহুৰ লগত ওতপ্ৰোতভাৱে জড়িত। এক কথাত ক’বলৈ গ’লে- বিহুৱেই অসমীয়া জাতিৰ প্ৰাণৰ স্পন্দন। বিহু গীতৰ সুৰে সুৰে প্ৰতিভাত হয় অসমীয়া জাতীয় জীৱনৰ সৰলতা, উদাৰতা আৰু আতিথেয়তা।

ব’হাগৰ বুকুতো স্বৰ্ণালী প্ৰকৃতিয়ে সিঁচি যায় কোমল স্পৰ্শ। ফাগুণৰ লঠঙা গছৰ আগত কোমল কুঁহিপাতে মধুৰ দিনৰ আগমনীৰ সূচনা কৰে। আমে মলিয়ায়, কঁঠালে মুচি পেলায়। কুলি-কেতেকী, মইনা-সখিয়তীৰ মনমোহন কাকলিয়ে প্ৰকৃতিৰ বুকুত তোলে সুৰৰ মূৰ্ছনা। শস্যসম্ভৱা বসুন্ধৰাৰ বুকু দুৰুদুৰু কৰে সৃষ্টিৰ বিপুল সম্ভাৱনাত।

ব’হাগৰ ভাষাত নিহিত আছে এক নীৰৱ প্ৰতিবাদ। ব’হাগৰ আত্মপ্ৰকাশ যেন পৃথিৱীৰ নিষ্ঠুৰতাৰ বিপক্ষে এক উদাত্ত কণ্ঠস্বৰ। জীৱনৰ যন্ত্ৰণা হিচাপে গ্ৰীষ্ম, বেদনাৰ প্ৰতীকী ৰূপত বৰ্ষা, দৰিদ্ৰতাৰ তিক্ত অভিজ্ঞতাৰে শৰত আৰু নিৰ্মম ভ্ৰূকুটিৰ ৰূপত শীত আহে। কিন্তু শীতৰ এই নিষ্ঠুৰতাৰ পিছতো প্ৰকৃতিয়ে যেতিয়া পুনৰ নৱচেতনাৰে নতুন ৰূপ ধাৰণ কৰে, সেয়াই হ’ল ব’হাগ। সেয়ে ব’হাগ হৈ পৰে এক চিৰন্তন আৱাহনী মন্ত্ৰ।

ব’হাগ বিহু ৰঙৰ বিহু, আনন্দৰ বিহু। বৰগছৰ তলত, মুকলি পথাৰত ঢোল-পেঁপা-গগনাৰ হিয়া উতলা কৰা ঐক্যতানে জগাই তোলে বিপুল উলাহ। লুইতৰ বুকু উথলি উঠে। বিহু গীতৰ মাদকতাই বসুন্ধৰাকো কৰি তোলে শ্যামলী বৰণ। ব’হাগ গতিশীলতাৰ অন্যতম অধ্যায়। লাহে লাহে অতি সন্তৰ্পণে হাবি-বননি, জান-জুৰি সকলোতে জিলিকি উঠে সম্ভাৱনাৰ নতুন সপোন।

প্ৰকৃতিৰ এই বিপুল পয়োভৰৰ সময়তে চ’তৰ সংক্ৰান্তিৰ দিনা পালন কৰা হয় গৰু বিহু। সেইদিনা গৰুক মাহ-হালধিৰে গা ধোৱাই গোৱা হয়-

*“লাউ খা বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা*
*মাৰ সৰু বাপেৰ সৰু, তই হ’বি বৰ গৰু।”*

দ্বিতীয় দিনা মানুহ বিহু অৰ্থাৎ নৱবৰ্ষৰ প্ৰথম দিন। এইদিনা জ্যেষ্ঠসকলক বিহুৱানেৰে সেৱা জনাই আশীৰ্বাদ লোৱা হয়। নৱাগত বছৰটো বেমাৰ-আজাৰ আৰু আপদৰ পৰা মুক্ত হৈ থাকিবলৈ নাহৰ পাতত মন্ত্ৰ লিখি দুৱাৰমুখত আঁৰি থোৱা হয়-

*“দেৱ দেৱ মহাদেৱ নীলগ্ৰীৱ জটাধৰ*
*বাত বৃষ্টি হৰংদেৱ মহাদেৱ নমস্ততে।”*

ব’হাগ বিহুৰ আন এক বিশেষত্ব হৈছে হুঁচৰি। গৃহস্থৰ কুশলাৰ্থে হৰিধ্বনি দি ঢোল-পেঁপাৰ সমলয়েৰে আশীৰ্বাদ দিয়াটো অসমীয়া জাতিৰ স্বভাৱজাত ধৰ্ম। মুঠতে বিহুৱেই অসমীয়া জাতিৰ সংস্কৃতি আৰু সভ্যতাৰ বৰ-মজিয়াখন দখল কৰি আছে। ই আমাৰ বাপতিসাহোন জাতীয় উৎসৱ, যাৰ মাজতেই অসমীয়া জাতি নিৰৱচ্ছিন্নভাৱে সাঙোৰ খাই আছে। ■



## ব’হাগ বিহু আৰু বিহুৱান লোৱাৰ পৰম্পৰা

■ ড° চন্দন কলিতা

**ৰ**ঙালী বিহু বা ব’হাগ বিহু অসমৰ জাতীয় উৎসৱ। এই উৎসৱে বসন্তকালৰ আগমনৰ লগতে অসমীয়া নৱবৰ্ষৰো সূচনা কৰে। কৃষিকেন্দ্ৰিক এই উৎসৱৰ ইতিহাস প্ৰায় ৩৫০০ বছৰ পুৰণি বুলি ধৰা হয়। অতীজতে চুতীয়া, সোণোৱাল, দেউৰী আদি বিভিন্ন জনগোষ্ঠীৰ মাজত কৃষিৰ উৰ্বৰতা বৃদ্ধিৰ অৰ্থে পালন কৰা এই উৎসৱে পৰৱৰ্তী সময়ত ১৬৯৪ চনত আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহৰ পৃষ্ঠপোষকতাত ৰাজকীয় স্বীকৃতি লাভ কৰে।

ব’হাগ বিহু অসমীয়া জাতিৰ আয়ুস ৰেখা স্বৰূপ। ই জাতি-বৰ্ণ নিৰ্বিশেষে সকলোকে একগোট কৰে আৰু মনত নতুন আশাৰ সঞ্চাৰ কৰে। যদিও ব’হাগ মাহটোৰ প্ৰায় গোটেই দিনবোৰেই বিহুৰ আনন্দই বিৰাজ কৰে, তথাপিও ব’হাগৰ সাতটা দিন বিশেষভাৱে উলহ-মালহেৰে পালন কৰা হয়। ইয়াৰ প্ৰধান কৰ্মসমূহৰ ভিতৰত গৰু বিহু, নতুন কাপোৰ পিন্ধা, জেতুকা লগোৱা, বিহু নৃত্য-গীত, পিঠাপনা খোৱা, গামোচা উপহাৰ দিয়া আৰু বয়োজ্যেষ্ঠসকলৰ আশীৰ্বাদ লোৱা আদি অন্যতম।

**ৰঙালী বিহুৰ ইতিহাস আৰু বিশেষ দিশ-**

উৎস ঃ ‘বিহু’ শব্দটো ডিমাচা জনগোষ্ঠীৰ ভাষাৰ পৰা অহা বুলি বিশ্বাস কৰা হয়, যাৰ অৰ্থ হ’ল- ‘দীৰ্ঘদিনীয়া কৃষি উৎসৱ’।

সাত বিহু ঃ ব’হাগ বিহুৰ পহিলা সাত দিনক ‘সাত বিহু’ বোলা হয়। সেইবোৰ হ’ল- ১) গৰু বিহু, ২) মানুহ বিহু, ৩) গোসাঁই বিহু, ৪) তাঁতৰ বিহু, ৫) নাঙলৰ বিহু, ৬) জীয়ৰী বা চেনেহী বিহু আৰু ৭) চেৰা বিহু। চ’তৰ সংক্ৰান্তিৰ পৰা ব’হাগৰ ৬ তাৰিখলৈ এই সাত দিন পালন কৰা হয়।

**বিহুৰ দিনলিপি ঃ**

**গৰু বিহু ঃ** চ’তৰ সংক্ৰান্তিৰ দিনা গৰুক গা ধোৱাই, লাও, বেঙেনা খুৱাই আৰু দীঘলতি-মাখিয়তি পাতেৰে কোবাই খেতিৰ মংগল কামনা কৰা হয়।

**মানুহ বিহু ঃ** ব’হাগৰ প্ৰথম দিনা সকলোৱে নতুন কাপোৰ পিন্ধে, জেতুকা লগায় আৰু প্ৰীতি-ভোজৰ আয়োজন কৰে। জ্যেষ্ঠজনক সেৱা জনাই আশীৰ্বাদ লোৱা এই দিনটোৰ বিশেষ পৰম্পৰা।

**গোসাঁই বিহু ঃ** এই দিনটোত নামঘৰত ভজন-কীৰ্তন কৰি ভক্তিভাৱেৰে দিনটো কটোৱা হয়।

**বিহুৱান লোৱাৰ পৰম্পৰা-**

ব’হাগ বিহুত নতুন ‘বিহুৱান’ লোৱাটো অসমীয়া সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ। চ’ত মাহৰ পৰাই জীয়ৰী-বোৱাৰীয়ে তাঁতশালত বিহুৱান, গামোচা, মেখেলা-চাদৰ আদি ব’বলৈ দিনে-ৰাতিয়ে একাকাৰ কৰে।

**চেনেহৰ চানেকি ঃ** বিহুৱান মানে কেৱল এখন বস্ত্ৰ নহয়, ই হ’ল শ্ৰদ্ধা, মৰম আৰু আন্তৰিকতাৰ প্ৰতীক। বিশেষকৈ ডেকা-গাভৰুৱে প্ৰেমৰ চানেকি হিচাপে ইজনে সিজনক বিহুৱান উপহাৰ দিয়ে।

**সামাজিক বান্ধোন ঃ** নতুন বছৰটোত বিহুৱানৰ জৰিয়তে আত্মীয়-স্বজন আৰু প্ৰিয়জনৰ মাজত সম্পৰ্ক সুদৃঢ় কৰা হয়। ই নতুন বছৰটো কুশলে যোৱাৰ বাবে এক প্ৰাৰ্থনা আৰু সৃষ্টিৰ নতুন জোৱাৰৰ প্ৰতীক।

পৰিশেষত ক’ব পাৰি যে, ৰঙালী বিহু কেৱল এটা উৎসৱেই নহয়, ই অসমীয়া সমাজৰ লোকবিশ্বাস, সাংস্কৃতিক ঐশ্বৰ্য আৰু একতাৰ মূল চাবি-কাঠী। ঢোল-পেঁপা-গগনাৰ মাতত প্ৰকৃতিৰ লগতে মানুহৰ মনবোৰো এই সময়ত ন-ৰূপেৰে জীপাল হৈ উঠে। ■

## আধুনিকতাৰ ধামখুমীয়াত বিহুৱানৰ প্ৰসাৰ

■ প্ৰিয়াশ্ৰী নেওগ

**বি**শ্বায়নৰ যুগত বৰ্তমান সময়ত পশ্চিমীয়া ৰঙৰ কাপোৰে আমাৰ সমাজত আধিপত্য বিস্তাৰ কৰিছে যদিও হাতে বোৱা কাপোৰৰ আদৰ কৃষিজীৱী অসমীয়া সমাজত সাম্প্ৰতিক সময়ছোৱাতো কোনোগুণেই কমা নাই। বিহুৰ বতৰত চহা অসমীয়াৰ ডিঙি শুৱনি কৰা বিহুৱান বা গামোচাখনিয়ে অসমীয়াৰ ঐতিহ্য আৰু পৰম্পৰাৰে ইংগিত বহন কৰিছে। ভাষাগত চহৰীয়া অসমীয়াৰ বাদেও অভাষিক অসমীয়াসকলেও বিহুৰ সময়ত গামোচাখনক আদৰ নকৰি নোৱাৰে। গামোচাখন সকলো শ্ৰেণীৰ অসমীয়াৰ বাবেই নিত্য প্ৰয়োজনীয় সম্পদস্বৰূপ। নিজৰ অসাধাৰণ কলা-কৌশলৰ বাবে বয়নশিল্পক বিশ্বৰ দৰবাৰত থিয় কৰাব পাৰে বৃহত্তৰ অসমীয়া জাতিয়ে। পৰীক্ষা শেষ হ’লে আমাৰ এইক মজলীয়া সূতাৰ গামোচা এজুঁটিকে লগাই দিব লাগিব বুলি বিয়নীমেলত এইদৰে আমাৰ তিৰোতাসকলে কথা পতা কোনেও নুশুনা নহয়। আনকি পথাৰৰ কৃষিকৰ্মৰ সামৰণি মাৰি অসমীয়া চহা মহিলাসকল ব্যস্ত হয় তাঁতশালত। আলাপ কৰে গৰকা, কামি, শালৰ লগত। খনে খনে কাপোৰ বৈ উলিয়াই আনন্দত মতলীয়া হয় শিপিনী। ‘মাকোৱে কিৰীলি পাৰে, গৰকাই নাচে। বহি তাঁতৰ পাটত, চকু আলিৰ বাটত।’ তুলনামূলকভাৱে বিশ্লেষণ কৰিলে আমি ক’ব পাৰোঁ যে গামোচাই অসমীয়া সমাজৰ লগতে বাপতিসাহোন বিহুটিত ই এখন সুকীয়া আসন দখল কৰিছে। বিহুৰ বতৰত অসমৰ প্ৰতিজন চহা যুৱক-যুৱতীয়ে এবাৰ নহয় এবাৰ তাঁতশালক কেন্দ্ৰ কৰি এষাৰি বিহু নাম গাবই গাব। তাঁতশালক আচলতে চহা অসমীয়াৰ আছুতীয়া সম্পত্তি বুলি ক’লেও অত্যুক্তি কৰা নহ’ব। বিহুৰ দিনাখন অসমীয়া মহিলাই বয়োজ্যেষ্ঠজনক হাতেৰে বোৱা এখন গামোচা দি সেৱা এটা কৰি আশীৰ্বাদ লোৱাটো অসমীয়া সমাজত এটি প্ৰচলিত নিয়ম। প্ৰতিগৰাকী গাঁৱলীয়া গাভৰুৱে মনৰ মানুহজনলৈ মৰমৰ দীঘেৰে চেনেহৰ বাণীৰে বৰ যত্ন সহকাৰে বয় ফুলাম গামোচা। বিহুৰ বতৰতহে যে গামোচাৰ প্ৰয়োজনীয়তা আছে, এনে নহয়। চহা অসমীয়া ঘৰ এখনত প্ৰয়োজনত দিনটোত কমেও তিনিবাৰ গামোচাৰ খবৰ লোৱা হয়। মুঠৰ ওপৰত তাঁতশাল অসমীয়াৰ জাতীয় গৌৰৱ। বিৱৰ্তনৰ গৰাহত এতিয়া সেয়া চকুত লগাকৈ কমি আহিছে। সাম্প্ৰতিক সময়ত খাটিখোৱা মেহনতী জনতাৰ উৎসৱ বিহুৰ স্বকীয়তা নাইকিয়া হোৱাৰ উপক্ৰম ঘটিছে। আধুনিকতাৰ প্ৰভাৱে বিহুৰ লগতে পৰম্পৰাৰ প্ৰসাৰতা বৃদ্ধি কৰিছে সঁচা কিন্তু, বিকৃত উপস্থাপনে লোককলা, তথা সংস্কৃতিৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। গতিকে, প্ৰতিজন লোক ভাতৃত্ববোধৰ এনাজৰীৰে একত্ৰিত হৈ অসমীয়া কলা-সংস্কৃতি, পৰম্পৰাসমূহ একতাৰ বান্ধোনেৰে জীয়াই ৰখাৰ অটুট প্ৰয়াস অব্যাহত থাকক আৰু এইক্ষেত্ৰত উঠি অহা তৰুণ প্ৰজন্ময়ো এই প্ৰভা অনুকৰণ কৰাওক। যিহেতুকে আধুনিকতা চাপত সমাজ আৰু দ্ৰুতবেগত আগবাঢ়িব ধৰিছে সেই হেতুকে, এক সুস্থ গণ আন্দোলনৰ মাজেৰে এটা সুস্থ মানসিকতাই সৃষ্টি হওক এটা সুস্থ প্ৰতিফলনৰ ধাৰা। ■



এক মিনিটৰ গল্প

## ভাগ্য

■ কল্পনা ছেত্ৰী (এলিনা)

অফিচৰ সন্মুখত ৰৈ একেথৰে চাই থকা অচিনাকি মানুহজনক দেখি প্ৰণামী আচৰিত হয়। কেইবাদিনো তাই মানুহজনক মাতিবলৈ চেষ্টা কৰিছে যদিও তাই ওচৰলৈ যোৱা দেখিলেই তেওঁ আঁতৰি যায়। কিন্তু পিছদিনা আকৌ একেই ঠাইতে ৰৈ তেওঁ তাইলৈ চাই ৰয়। কোনোদিনেই তেওঁ প্ৰণামীৰ সৈতে একো বেয়া ব্যৱহাৰ কৰা নাই; মাথোঁ দূৰৰ পৰাই এক নিষ্পলক দৃষ্টিৰে চাই থাকে।

ওচৰৰ দোকানবোৰত সোধ-পোছ কৰি প্ৰণামীয়ে গম পালে যে এসময়ত তেওঁ বৰ ভাল মানুহ আছিল। কিন্তু কি কাৰণত তেওঁৰ আজি এই অৱস্থা হ’ল, সেই কথা কোনেও নাজানে। ঘৰলৈ আহি প্ৰণামীয়ে মাক নয়নাক সকলো কথা বিৱৰি ক’লে। মাকৰ মনত কিবা এটা সন্দেহ হ’ল আৰু পিছদিনা তাইৰ লগতে অফিচৰ সন্মুখ পালেহি।

ফটা-চিটা কাপোৰ পিন্ধি থকা, সকলোৱে ‘পগলা’ বুলি কোৱা মানুহজনক দেখি নয়না অলপ সময়লৈ স্তব্ধ হৈ ৰ’ল। মানুহজনক চিনিবলৈ তাইৰ বেছি সময় নালাগিল- সেয়া তাইৰ এসময়ৰ প্ৰিয়পুৰুষ ৰতন! যাৰ সৈতে তাই সুখে-দুখে একেলগে থকাৰ হাজাৰটা সপোন দেখিছিল। সিহঁত দুয়োৰে মাজত আছিল এক নিবিড় ভালপোৱা।

নয়নাৰ চকুৰ আগত সকলো কথা স্পষ্ট হৈ পৰিল। তাইৰ দৰেই দেখাত প্ৰায় একেই তাইৰ ছোৱালী প্ৰণামীক দেখিয়েই চাগে ৰতনে তাইৰ মাজত অতীতৰ নয়নাক বিচাৰি পাইছিল। সেয়েহে হয়তো নিজৰ হেৰুৱা পৃথিৱীখনক বিচাৰি তেওঁ প্ৰণামীলৈ তেনেদৰে ৰ’ লাগি চাই থাকে। ■



## বিহু অসমীয়া সংস্কৃতিৰ জীৱনৰেখা

■ কনমনি নাথ

*“বিহুৰে বিৰিণা পাতে সমনীয়া*
*বিহুৰে বিৰিণা পাত,*
*বিহু থাকে মানে বিহুকে বিনাবি*
*বিহু গ’লে বিনাবি কাক।”*

বিহু অসমৰ জাতীয় উৎসৱৰ লগতে অসমীয়াৰ হিয়াৰ আমঠু। বিহু হ’ল অসমীয়াৰ প্ৰকৃত পৰিচয়, বিহু অসমীয়া সংস্কৃতিৰ জীৱনৰেখা। ■ ৭ পৃষ্ঠালৈ

# বাপতিসাহোন ৰঙালী বিহু আৰু পৰম্পৰাগতভাৱে চলি অহা কিছুমান নীতি-নিয়ম বা লোকবিশ্বাস



■ জিতামণি গোস্বামী

বাপতিসাহোন ৰঙালী বিহুটি আহি চোতাল পালেহি। গছে কুঁহিপাত সলালে। ডালে ডালে কপৌ ফুলিল, কুলি-কেতেকীৰ মাতে মুখৰিত কৰিলে। অসমবাসীও সাজু অতিকে চেনেহৰ বিহুতিক আদৰিবলৈ। এই বিহুতিক আদৰিবলৈ আমি কিছুমান পৰম্পৰাগত নিয়ম পালন কৰোঁ। তাৰে ভিতৰত গৰু নোৱাই-ধোৱাই নতুন পঘা দিয়া। জ্যেষ্ঠজনক সেৱা জনোৱা, বিহুৱান এখন দিয়া এইবোৰ। ইয়াৰ উপৰিও আৰু কিছুমান সৰু সৰু পৰম্পৰা আমাৰ মাজত চলি আছে যদিও বৰ্তমান সময়ৰ লগত নোহোৱা হৈ গৈছে। তাৰে কিছুমান আজি এই প্ৰবন্ধটোত উল্লেখ কৰাৰ চেষ্টা কৰিলোঁ। যুক্তিহীন হ'লেও কিছুমান নীতি-নিয়ম বা পৰম্পৰা মানি ভাল লাগে।

যেনে- গৰু বিহুৰ দিনা গা ধুই আহিয়ে প্ৰথমে আমকলি, মচুৰ দাইল আৰু নিমপাত অকণমান খোৱাৰ নিয়ম আছে। আগৰ দিনত আইতাহঁতে এই নিয়ম মানি আহিছিল সেয়ে আমি মাৰ পৰাই এই কথাবোৰ শিকিছিলোঁ। ই হেনো ঔষধৰ কাম কৰে।

তাৰ পিছত জা-জলপান খাই ১০১বিধ শাক বোটলা কাম। গধূলি এই শাকৰ ভাজি খালে গোটেই বছৰলৈ ঔষধৰ কাম কৰে বুলি ভবা হয়। সেইদিনা অৰ্থাৎ ব'হাগৰ সংক্ৰান্তিৰ দিনা সকলো শাকেই ঔষধি কাম কৰে বুলি বিশ্বাস কৰা হয়। আকৌ জেতুকা, জেতুকা ৰঙালী বিহুৰ প্ৰধান বস্তু। এই বিহুত জেতুকা অকণমান ল'লেহে মনটো ভাল লাগে। গৰু বিহুৰ দিনা ৰাতি ভাত খোৱাৰ পিছত মায়ে সদায় ৰাতি আমাক জেতুকা লগাই বান্ধি দিছিল আৰু পুৱালৈ হাত দুখন জেতুকাবুলীয়া হৈ পৰিছিল। গৰু বিহুৰ দিনা লোৱা জেতুকাই হেনো ঔষধৰ কাম কৰে। এনেও জেতুকাৰ উপকাৰীতা সকলোৱে জানেই। তথাপি গৰু বিহুৰ দিনা লোৱা জেতুকাৰ মহত্ত্ব বেলেগ। সেয়ে সকলোৱে ভৰি আঙুলি এটাত হ'লেও জেতুকা লগোৱা নিয়ম পালন কৰে। গধূলি গৰু অহাৰ সময়ত পদূলিত জাক দিয়া নিয়ম আছে, এইজাকটোত ঔটেঙা পাত, তুঁহ আৰু বিহলঙনি দিয়া হয়। এই জাকে মহ-ডাঁহ নোহোৱা কৰে বুলি লোকবিশ্বাস আছে। আকৌ দিনৰ ভাগত গৰুক মাহ-হালধিৰ লগত নহৰু পিহিলৈ পানীত মিহলাই ঘৰৰ চাৰিওফালে ছটিওৱা নিয়ম আছে। লোকবিশ্বাস অনুসৰি এই পানীয়ে বছৰটোলৈ সাপ জাতীয় বিষাক্ত জীৱ অহাত বাধা দিয়ে।

অন্য এটা পৰম্পৰাগতভাৱে চলি অহা নিয়ম হ'ল নাহৰৰ পাতত মন্ত্ৰ লিখা কাৰ্য। ঘৰৰ মুৰব্বীসকলে সাধাৰণতে এই কামটো কৰে।

*"দেৱ দেৱ মহাদেৱ নীলগ্ৰীৱ জটাধাৰ*
*বাতং বৃষ্টি হৰং দেৱ মহাদেৱ নমঃস্তুতে"*

মহাদেৱক স্মৰণ কৰি এই মন্ত্ৰ ভাগ নাহৰৰ পাতত লিখি ঘৰৰ মূধচ, গোহালি আদিৰ ছালত খুচি থোৱা। লোকবিশ্বাস অনুসৰি এনে কৰিলে ধুমুহা-বতাহ আদিৰ পৰা ৰক্ষা পৰে।

ব'হাগমহীয়া বৰদৈচিলাই যথেষ্ট অনিষ্ট কৰে। ধুমুহা আহিলে বয়োজ্যেষ্ঠসকলে নিজেও এই মন্ত্ৰ ভাগ গায় আৰু ঘৰৰ সকলোকে গাবলৈ কয় যাতে ধুমুহাই বিশেষ ক্ষতি নকৰাকৈ সাম কাতে। অৱশ্যে ইয়াৰ কোনো বৈজ্ঞানিক যুক্তি নাই বা ঠাই ভেদে এই লোকবিশ্বাস প্ৰচলিত নাথাকিবও পাৰে।

বিশেষকৈ উজনি অসমত এই নিয়ম সমূহ প্ৰচলিত আছিল। বৰ্তমান কিছু কিছু ক্ষেত্ৰত কমিছে যদিও গাঁও অঞ্চলত এতিয়াও প্ৰচলন হৈয়ে আছে। ঠিক সেইদৰে বিচনী বিহুৰ পিছৰ পৰাহে ব্যৱহাৰ কৰিব লাগে আগতে ব্যৱহাৰ কৰিলে মূৰৰ ঘূৰণি হয় বুলিও লোকবিশ্বাস আছিল। বিহুৰ তৃতীয় দিনা চেৰা বিহু। সেইদিনা দুপৰীয়া ভাত খোৱাৰ আৰম্ভণিতে আগদিনাৰ পঁইতা ভাত দৈ আৰু গুৰ দি আমাক খাবলৈ দি বিচনীৰে বিচি দিছিল আৰু তাৰ পিছতহে বিচনী ল'বলৈ দিছিল। বৰ্তমান সময়ৰ বহু ল'ৰা-ছোৱালীয়ে বিচনী চিনি নোপোৱা হৈছে। বায়ুমণ্ডলৰো এনে পৰিৱৰ্তন হৈছে যে ফাগুন মাহৰ পৰাই ফেন ব্যৱহাৰ কৰিব লগা হৈছে।

এই নিয়মবোৰৰ যুক্তিযুক্ততা নাথাকিলেও পৰম্পৰাগতভাৱে চলি আহিছে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ। ■



# সাম্প্ৰতিক সময়ত বিহুৰ পৰম্পৰা আৰু স্বকীয় বৈশিষ্ট্য সন্দৰ্ভত

■ শিলাদিত্য ৰায়

অসমৰ জাতীয় উৎসৱ তিনিওটা বিহুৰে পৰম্পৰা আৰু বৈশিষ্ট্যবোৰ সুকীয়া। এনেবোৰ সংস্কৃতিৰ লগত পুৰণি পৰম্পৰা আৰু লোকবিশ্বাস জড়িত হৈ থাকে। প্ৰতিটো বিহুৱেই মানুহৰ হৃদয়ত প্ৰকৃতিগত এক অনুভৱৰ সাঁচ বহুৱায়। য'ত লোকাচাৰ অনুযায়ী প্ৰতিটো বিহুৰেই পৰম্পৰা, বৈশিষ্ট্য, ৰীতি-নীতি আৰু অনুভৱ সকলো দিশৰ পৰাই সুকীয়া হয়। এনেক্ষেত্ৰত বিহুৰ পৰম্পৰা আৰু জনবিশ্বাসবোৰ ভংগ কৰিলে প্ৰতিটো বিহুৰেই বৈশিষ্ট্যবোৰ বিকৃত হয়। ফলত নতুন চামে এনেবোৰ সংস্কৃতিয়েই মানি চলি থাকিবলৈ বাধ্য হ'ব। আজিৰ যান্ত্ৰিকতাৰ যুগত এনেও বিহুৰ বিকৃতকৰণ হ'বলৈ আৰম্ভ হৈছে আৰু পুৰণি লোকাচাৰসমূহও বিলুপ্তিৰ পথত গতি কৰিছে। প্ৰতিটো বিহুত আগতে ঘৰে ঘৰে যি পুৰণি লোকাচাৰসমূহ পালন কৰা হৈছিল; সেয়া আজিৰ দিনত পাহৰণিৰ গৰ্ভত। আধুনিকতাৰ কবলত গাঁৱৰ গোহালিৰ গৰুবোৰো প্ৰায় নোহোৱা হোৱাৰ পথত। ফলত গৰু বিহুৰ যি পুৰণি পৰম্পৰা আৰু মাদকতা সেয়াও আজিৰ দিনত হেৰুৱাৰ উপক্ৰম হৈ পৰিছে। বৰ্তমানে গাঁৱৰে বহু নতুন প্ৰজন্মই গৰু বিহুৰ পৰম্পৰাবোৰ দেখিবলৈ নাপায়। কাচিৎহে যিবোৰ গাঁৱত ঘৰে ঘৰে কিছু গৰু উপলব্ধ; সেইবোৰ প্ৰজন্মইহে গৰু বিহুৰ বৈশিষ্ট্যৰ বিষয়ে কিছু জানিব বা বুজি শিকিব। বৰ্তমান সময়ত এইবোৰ পৰম্পৰা ঠাই বিশেষে কোনোমতেহে জীয়াই আছে। বিংশ শতিকাৰ সময়ত তিনিওটা বিহুৰে যি পৰম্পৰা, মাদকতা আৰু বৈশিষ্ট্য আছিল; সেই সকলোবোৰ তেতিয়াৰ চামে ভালকৈ প্ৰেকটিকেলি দেখা পোৱাৰ লগতে অনুভৱ কৰিব পাৰিছিল। সেই সময়ত ঘৰে ঘৰে বৈশিষ্ট্য অনুযায়ী বিহুৰ জাকজমকতাৰ নীতি-নিয়মবোৰ পালন আৰু সম্পাদন কৰাৰ দৃশ্যবোৰেই মনোমোহা আৰু সুকীয়া আছিল। কিন্তু আজিৰ বিহুৰ একো বৈশিষ্ট্য আৰু পৰম্পৰা নোহোৱা হৈ পৰাৰ লগতে কোনোমতে কেমেৰাৰ লেন্সত কেলঢোপ কেলঢোপকৈ বৰ্তি থকাহে দেখা যায়। যান্ত্ৰিকতাৰ যুগত আৰু কাম কৰা মানুহৰ অভাৱত ঘৰত ভোগালীৰ পিঠা বনোৱাৰ পৰম্পৰা আজিৰ দিনত বজাৰৰ পেকেটতে উপলব্ধ হৈ পৰিছে। ফলত পৰৰ পিঠাৰে বিহু পতাৰ লেখীয়া হৈ পৰিছে। আমি যদি বৰ্তমান সময়ত বিহুৰ বৈশিষ্ট্যবোৰ ফঁহিয়াই চাওঁ; তেন্তে দেখা পোৱা যাব যে বিহুৰ সকলো পৰম্পৰাই বিনষ্ট হৈ পৰিছে। সেই পূৰ্বৰ নিভাঁজ সংস্কৃতি আৰু লোকাচাৰসমূহৰ আজিৰ দিনত অপমৃত্যু ঘটিবলৈ আৰম্ভণি কৰিছে। ইয়াৰ মূল কাৰণ মানুহবোৰৰ বিহু সম্বন্ধে অতি উৎসুকতা আৰু অমনোযোগিতা। বৰ্তমান সময়ত প্ৰতিটো বিহুৰেই বৈশিষ্ট্য ভংগ কৰি মানুহবোৰে সকলো বিহুকে পিঠা খোৱা সংস্কৃতিত পৰিণত কৰিবলৈ আৰম্ভ কৰিছে। অৰ্থাৎ এতিয়াৰ বিহু মানেই কেৱল পিঠা বনোৱা আৰু খোৱাৰ পৰম্পৰাত পৰিণত হ'বলৈ আৰম্ভণি ঘটিছে। বিহু কৃষিভিত্তিক আৰু প্ৰকৃতি অনুযায়ী ইয়াৰ বৈশিষ্ট্যবোৰো পূৰ্বৰ পৰাই সুকীয়া। প্ৰকৃতি অনুযায়ী প্ৰতিটো বিহুৰেই অনুভৱ আৰু মাদকতা সুকীয়া সুকীয়া। অসমীয়া নৱবৰ্ষ অনুযায়ী ব'হাগৰ আগমনৰ লগে লগে (পূৰ্বেই) ধৰালৈ এজাক শিল-ধুমুহা-বৰষুণৰ আগমন ঘটে। এয়া নতুনত্বৰ বতৰা। প্ৰথমজাক বৰষুণৰ পৰশত ধৰিত্ৰীৰ গছ-লতিকাবোৰৰ লগতে প্ৰকৃতি আৰু মানুহৰ মনবোৰো ৰঙীন হৈ জীপাল হৈ উঠে। ব'হাগৰ আগমনত প্ৰকৃতি বিনন্দীয়া আৰু চঞ্চলা হৈ পৰে। ব'হাগৰ প্ৰতীক হিচাপে গছৰ ডালত কপৌ ফুলিবলৈ আৰম্ভ কৰে লগতে গছৰ ডালৰ পাতৰ আঁৰত বহি কুলিয়ে কু কু কৈ মাতি নতুনত্বক সম্ভাষণ জনায়। প্ৰকৃতিৰ এনে বিনন্দীয়া আচৰণত ডেকা-গাভৰু, আবাল-বৃদ্ধ-বনিতাৰ সকলোৰে মন-প্ৰাণবোৰ এক অজান অনুভূতিৰ আনন্দৰ লহৰত নাচি উঠে। য'ত বয়সৰ উন্মাদনা নেওচি সকলো স্তৰৰ ব্যক্তিয়েই যৌৱনা হৈ পৰে। এয়া ব'হাগ বা ৰঙালী বিহুৰ এক স্বতঃস্ফূৰ্ত অনুভূতি। ৰঙালীৰ পৰম্পৰা অনুযায়ী বহুতৰে মাজত ঠাইভেদে বেলেগ বেলেগ পুৰণিকলীয়া জনবিশ্বাস আছে। ৰঙালীৰ উৎসৱ বুলি ব'হাগৰ নতুন মাহটোতে বহুতেই নতুন কাপোৰ-কানি কিনি পিন্ধে লগতে আপোনজনকো নতুন বস্ত্ৰ উপহাৰ দিয়াৰ পৰম্পৰা আছে। এয়া ৰং-ধেমালিৰ উৎসৱ। এই ব'হাগতে ডেকা-গাভৰুৰ মনবোৰ ৰঙত বিৰিঙি নাচি-বাগি উঠি গীত-নৃত্যৰ মাজেদি প্ৰেম-প্ৰীতিত পৰা পৰিলক্ষিত হয়। নৱবৰ্ষৰ কুমলীয়া মাহটো যিদৰে ৰঙীন আৰু যৌৱনপ্ৰাপ্ত; ঠিক তেনেদৰেই প্ৰকৃতিয়ে ডেকা-গাভৰু, আবাল-বৃদ্ধ-বনিতা আদি সকলোৰে অন্তৰত প্ৰেমৰ অনুভূতি জগাই বিলাই দিয়ে। ব'হাগী উৎসৱ চ'তৰ সংক্ৰান্তিৰ দিনটোৰ পৰা আৰম্ভণি ঘটি ব'হাগৰ পৰৱৰ্তী ছয় দিনলৈ অব্যাহত থাকে। এই বিহু গৰু বিহু, মানুহ বিহুৰ পৰা আৰম্ভ কৰি সাতদিনলৈ ভিন্ন বিহুৰ পৰম্পৰাবোৰ নীতি-নিয়মেৰে পালন কৰা হয় বাবে ইয়াক সাত বিহু বুলিও কোৱা হয়। এই বিহু আনন্দৰ লহৰত গীত-নৃত্যৰে উদ্ভাসিত হৈ উঠে বাবে ৰঙালী বিহু হিচাপে জনাজাত। এয়া ৰং-বসন্তৰ উৎসৱ। গতিকে বৰ্তমান সময়ত দেখা পোৱা যায় যে এই ৰঙৰ বিহুতো পৰম্পৰা আৰু বৈশিষ্ট্য ভংগ কৰি গৰিষ্ঠসংখ্যকে ভোগালীৰ দৰেই পিঠাপনা প্ৰস্তুত কৰি খোৱাৰ পৰম্পৰা গঢ় দিবলৈ আৰম্ভ কৰিছে। গতিকে এনেবোৰ সংস্কৃতি গঢ় লৈ উঠিলে ব'হাগ বা ৰঙালীৰ যি সুকীয়া পৰম্পৰা, বৈশিষ্ট্য আৰু মাদকতা সেয়া সময়ত এদিন সম্পূৰ্ণৰূপে বিনষ্ট হৈ পৰিব। আজিৰ একবিংশ শতিকাৰ আধুনিক যুগত কামৰ হেঁচাত মানুহবোৰৰ সময়ৰ নাটনিৰ অভাৱৰ লগতে বিজ্ঞানৰ জয়যাত্ৰাও জয়জয়-ময়ময় হৈ উঠিছে। তেনেক্ষেত্ৰত আজিৰ প্ৰজন্মৰ ল'ৰা-ছোৱালীবোৰৰ সকলোৰে হাতত এটাকৈ স্মাৰ্ট ফোন থাকেই। গতিকে বিংশ শতিকাৰ সময়ৰ দিনবোৰৰ বিহুৰ পৰম্পৰা আৰু সংস্কৃতিৰ বিষয়ে জ্ঞাত আৰু প্ৰতিটো বিহুৰ নিয়ম অনুযায়ী সেই চহকী নিভাঁজ পৰম্পৰাবোৰ পালন কৰি অহা অভিভাৱকসকল বা সেই সময়ৰ প্ৰজন্মবোৰে যদি বৰ্তমানৰ আধুনিক সামাজিক মাধ্যমৰ বহুল প্ৰচাৰৰ যুগত হেঁপাহৰ ৰঙীন উৎসৱ ৰঙালী বিহুটোক অতি উৎসাহেৰে পিঠা খোৱা আৰু পিঠা বনোৱাৰ সংস্কৃতিত পৰিণত কৰি সামাজিক মাধ্যমৰ যোগেদি বিকৃতৰূপত বহুলভাৱে প্ৰচাৰ কৰি গৈ থাকে; তেন্তে প্ৰকৃতিগত ৰঙৰ উৎসৱ ৰঙালী বিহুৰ প্ৰকৃত পৰম্পৰা আৰু বৈশিষ্ট্যবোৰ নিশ্চয় ভংগ হ'ব। কাৰণ আজিৰ প্ৰজন্মৰ সামাজিক মাধ্যমযোগেই হওক বা ঘৰুৱাভাৱেই হওক; যদি ৰঙালী বিহুৰ এনে বিকৃত পৰম্পৰা বা বৈশিষ্ট্যৰ প্ৰচাৰবোৰ দৃষ্টিগোচৰ হৈ গৈ থাকে; তেন্তে সিহঁতৰ মন-মগজুতো ৰঙৰ উৎসৱত ভোগালী বিহুৰ দৰেই পিঠা বনোৱাৰ ঘৰুৱা প্ৰতিযোগিতা আৰু খোৱাৰ পৰম্পৰাটোৰ প্ৰতিচ্ছবি লাহে লাহে নিশ্চয় মনত গঢ় লৈ উঠিব। যি পৰম্পৰাই অনাগত দিনবোৰত ৰং-বসন্তৰ উৎসৱ ৰঙালী বা ব'হাগ বিহুৰ প্ৰকৃত বৈশিষ্ট্যবোৰক সম্পূৰ্ণৰূপে বিকৃত আৰু ধ্বংস কৰি পেলাব। গতিকে বিংশ শতিকাৰ সময়ৰ বিহুৰ পৰম্পৰা আৰু বৈশিষ্ট্যবোৰ দেখি আৰু পালন কৰি অহা প্ৰজন্মবোৰ বা অভিভাৱকসকল ব'হাগ বিহুৰ সময়ত সামাজিক মাধ্যমৰ যোগেদি বা ঘৰুৱাভাৱেই হওঁক বিহুৰ নামত এনেবোৰ বিকৃত পৰম্পৰা গঢ়ি তুলি প্ৰচাৰ আৰু প্ৰসাৰ কৰি গৈ থাকিলে নিশ্চয় বৰ্তমানৰ নতুন প্ৰজন্মৰ মন-মানসিকতাত বিৰূপ প্ৰভাৱ পৰিব। বিহু উপলক্ষে নিয়মৰ দুই-এখন পিঠা খোৱাটো বেলেগ কথা; কিন্তু ৰঙালী বিহুৰ নামত ভোগালীৰ দৰে ধুমধামেৰে পিঠা বনোৱা আৰু খোৱা সংস্কৃতি গঢ়ি তোলাৰ সমান্তৰালভাৱে প্ৰচাৰ কৰাটো একপ্ৰকাৰ নেতিবাচক দিশ। গতিকে 'ৰঙালী' মানেই পিঠা বনোৱা আৰু পিঠা খোৱাৰ সংস্কৃতি বা উৎসৱ নহয়। ৰঙালী কেৱল নতুনত্ব আৰু ৰং-বসন্তৰ এক উজ্জীৱিত আনন্দময় উৎসৱহে মাথোঁ। ■

## শেষ চিঠিখন

■ উৎপল গগৈ

নগাঁও জিলাৰ এখন সৰু গাঁও- মধুপুৰ। সেই গাঁৱৰে বাসিন্দা, বাঁহৰ বেৰা দিয়া এটি সৰু ঘৰত বাস কৰিছিল পলাশ আৰু তাৰ মাক। পলাশৰ দেউতাকৰ বহু বছৰ আগতেই অসুখত মৃত্যু হৈছিল। তেতিয়াৰ পৰাই সংসাৰখনত যন্ত্ৰণাৰ কজলা ডাৱৰে ছাঁ পেলাইছিল। মাক সৰলা দেৱীয়ে আনৰ ঘৰে ঘৰে কাম কৰি অতি কষ্টেৰে পলাশৰ পঢ়া-শুনাৰ খৰচ উলিয়াইছিল। পলাশ আছিল মেধাৱী ছাত্ৰ, কিন্তু দৰিদ্ৰতা আছিল তেওঁলোকৰ ছাঁৰ দৰে চিৰলগৰী। পলাশে সৰুৰে পৰাই দেখিছিল- মাকৰ হাতৰ ছাল ক্ৰমান্বয়ে খহটা হৈ পৰিছে, চকুৰ তলত ক'লা দাগ বহিছে। ৰাতি দেৰিলৈকে কাম কৰি থাকিলেও মাকে সদায় হাঁহিমুখে কৈছিল- "তই পঢ়াত গুৰুত্ব দে। তোৰ সফলতাই মোৰ একমাত্ৰ আশা।" পলাশৰ মনতো এটা ডাঙৰ সপোন আছিল- এদিন ডাঙৰ মানুহ হৈ মাকৰ সকলো কষ্ট দূৰ কৰিব।

মেট্ৰিক পৰীক্ষাৰ আগমুহূৰ্তত মাক হঠাৎ অসুস্থ হৈ পৰিল। প্ৰথমে সামান্য জ্বৰ বুলি ভাবিলেও দিনক দিনে অৱস্থাৰ অৱনতি ঘটিল। মাকক চিকিৎসকৰ ওচৰলৈ নিবলৈ পলাশৰ হাতত সমূলি টকা নাছিল। উপায়ন্তৰ হৈ সি নিজৰ প্ৰিয় কিতাপবোৰ বিক্ৰী কৰি মাকক চিকিৎসালয়লৈ লৈ গ'ল। চিকিৎসকে পৰীক্ষা কৰি ক'লে- "অলপ দেৰি হৈ গৈছে। এতিয়া উন্নত চিকিৎসাৰ প্ৰয়োজন হ'ব।" এই কথা শুনি পলাশ শংকিত হৈ পৰিল। তেওঁ কেতিয়াও ইমান অসহায় অনুভৱ কৰা নাছিল। চিকিৎসালয়ৰ বিছনাত শুই থকা মাকে তাৰ হাতত ধৰি ক'লে- "ভয় নকৰিবি। মই ভাল হ'ম। তই পঢ়া এৰি নিদিবি।" পলাশে চকুলো লুকুৱাই হাঁহিবলৈ বৃথা চেষ্টা কৰিলে।

দিনবোৰ বৰ কষ্টকৰ হৈ উঠিল। পঢ়া-শুনা, চিকিৎসালয়ৰ আলপৈচান আৰু ঘৰৰ কাম সকলো সি অকলেই চম্ভালিবলগীয়া হ'ল। মাক সুস্থ নোহোৱালৈকে পলাশে নিজকে স্থিৰ কৰি ৰাখিবলৈ আপ্ৰাণ চেষ্টা চলালে। কিন্তু এদিন নিশা চিকিৎসালয়ৰ পৰা ফোন আহিল। পলাশ দৌৰি গ'ল, কিন্তু তেতিয়ালৈকে বহুত পলম হৈ গৈছিল। সৰলা দেৱীয়ে এই পৃথিৱীৰ পৰা চিৰদিনৰ বাবে বিদায় লৈছিল। পলাশৰ জীৱন যেন নিমিষতে থমকি ৰ'ল। উদং ঘৰখনত সি একেবাৰে অকলশৰীয়া হৈ পৰিল।

মাকৰ বস্তুবোৰ সামৰি থাকোঁতে পলাশে এটা পুৰণি খাম পালে। তাত লিখা আছিল- "মোৰ পলাশৰ বাবে।" কপা হাতেৰে পলাশে খামটো খুলিলে। চিঠিখনত লিখা আছিল-

■ ৪ পৃষ্ঠালৈ

# ব’হাগ বিহু বা ৰঙালী বিহু

## অসমীয়া প্ৰাণৰ প্ৰাচুৰ্য

■ মিতু গোস্বামী

**অ**সমৰ জাতীয় উৎসৱ হৈছে বিহু। বিহু তিনিটা- ব’হাগ বিহু বা ৰঙালী বিহু, কাতি বিহু বা কঙালী বিহু আৰু মাঘ বিহু বা ভোগালী বিহু। অসমৰ কৃষিভিত্তিক উৎসৱসমূহৰ ভিতৰত ‘ৰঙালী বিহু’ হ’ল প্ৰথম আৰু প্ৰধান উৎসৱ। অসমীয়া নৱবৰ্ষৰ আৰম্ভণিও হয় পহিলা ব’হাগৰ পৰাই। অতীজৰে পৰা অসমৰ মানুহে চ’ত আৰু ব’হাগ মাহৰ সংক্ৰান্তিৰ দিনাৰ পৰা সাতদিন ধৰি ৰঙালী বিহু পালন কৰি আহিছে। এই বিহুৰ লগত বিভিন্ন সামাজিক ৰীতি-নীতি, লোকাচাৰ আৰু লোকবিশ্বাস জড়িত হৈ আছে। এই সাত বিহুৰ নাম হ’ল- ১) গৰু বিহু, ২) মানুহ বিহু, ৩) গোসাঁই বিহু, ৪) তাঁতশালৰ বিহু, ৫) নাঙলৰ বিহু, ৬) চেনেহী বিহু (জীয়ৰী বিহু) আৰু ৭) চেৰা বিহু।

**গৰু বিহু ঃ** চ’ত আৰু ব’হাগ মাহৰ সংক্ৰান্তিৰ দিনা এই বিহু পালন কৰা হয়। এইদিনা ৰাতিপুৱাই গৰুক মাহ-হালধি সানি গা ধুওৱা হয়। বিভিন্ন পাচলি- যেনে লাউ, বেঙেনা, কেৰেলা, থেকেৰা, টিয়হ আদিৰে গৰুৰ বাবে ‘চাট’ তৈয়াৰ কৰা হয়। লোকবিশ্বাস অনুসৰি এই পাচলিবোৰ গৰুৰ গালৈ দলিয়াই আশীৰ্বাদ দিয়া হয় আৰু বৈ যোৱা পাচলিবোৰ ৰাতি ৰান্ধি খালে বিভিন্ন বেমাৰৰ পৰা পৰিত্ৰাণ পোৱা যায়। গধূলি গৰুক ন-পঘাৰে বান্ধি দীঘলতি-মাখিয়তি পাতেৰে কোবাই পদূলিত ‘জাক’ (ধোঁৱা) দিয়া হয়।

**মানুহ বিহু ঃ** ব’হাগৰ প্ৰথম দিনটো মানুহ বিহু। এইদিনা সকলোৱে মাহ-হালধিৰে গা ধুই নতুন কাপোৰ পিন্ধে। সৰুৱে ডাঙৰক সেৱা কৰি ‘বিহুৱান’ উপহাৰ দিয়ে আৰু ডাঙৰে আশীৰ্বাদ কৰে। ঘৰে ঘৰে পিঠাপনা আৰু জলপানৰ আয়োজন চলে। এইদিনাৰ পৰাই হুঁচৰি দলবোৰে পদূলিয়ে পদূলিয়ে বিহু গাবলৈ আৰম্ভ কৰে। বহু ঠাইত এইদিনা পঁইতা ভাত খোৱাৰ নিয়ম আছে, যাতে বছৰটো গা জুৰ পৰি থাকে। লগতে আমৰলি টোপ আৰু এশ এবিধ শাক ভাজি খোৱাৰ পৰম্পৰাও আছে, যিয়ে বিভিন্ন ৰোগৰ প্ৰতিষেধক হিচাপে কাম কৰে বুলি বিশ্বাস কৰা হয়।

**গোসাঁই বিহু ঃ** এইদিনা গোসাঁই বা ভগৱানৰ নামত উছৰ্গা কৰা হয়। সকলোৱে নামঘৰত গৈ নাম-প্ৰসংগ কৰে আৰু ধূপ-চাকি জ্বলাই বছৰটোৰ মংগলৰ বাবে প্ৰাৰ্থনা কৰে।

**তাঁতশালৰ বিহু ঃ** শিপিনীসকলে এইদিনা তাঁতশালখন পৰিষ্কাৰ কৰি চাকি-বন্তি জ্বলাই পূজা কৰে। কাৰণ তাঁতশালখনেই হ’ল অসমীয়া নাৰীৰ কলা-সংস্কৃতিৰ প্ৰাণ।

**নাঙলৰ বিহু ঃ** খেতিয়কসকলে তেওঁলোকৰ কৃষিকৰ্মৰ প্ৰধান সঁজুলি নাঙল, মৈ, যুৱলি আদি ধুই পৰিষ্কাৰ কৰি পূজা কৰে।

**চেনেহী বিহু ঃ** ইয়াক জীয়ৰী বিহু বুলিও কোৱা হয়। এইদিনা জীয়ৰী-বোৱাৰীসকল মাকৰ ঘৰলৈ যায় আৰু পৰিয়ালৰ মাজত মৰম-চেনেহৰ আদান-প্ৰদান হয়।

**চেৰা বিহু ঃ** বিহুৰ অন্তিম দিনটোক চেৰা বিহু বোলা হয়। এইদিনা পৰম্পৰাগতভাৱে বিহুক বিদায় জনোৱা হয়। বহু ঠাইত এইদিনা ‘সাতশাকী’ অৰ্থাৎ সাতবিধ শাক খোৱাৰ নিয়ম আছে।

ৰঙালী বিহুৰ লগত বহুতো লোকাচাৰ জড়িত হৈ আছে। প্ৰকৃতিয়ে এই সময়ত নতুন ৰূপ লয়; গছে ন-কুঁহিপাত মেলে আৰু কপৌ-তগৰৰ সুবাসে চৌদিশ আমোলমোলায়। অসমীয়া সমাজত বসন্তৰ বৰষুণজাকে কৃষিৰ সম্ভাৱনা কঢ়িয়াই আনে। আন এক উল্লেখযোগ্য পৰম্পৰা হ’ল- নাহৰ পাতত মহাদেৱৰ স্তুতি মন্ত্ৰ লিখি ঘৰৰ দুৱাৰমুখত বা চালত আঁৰি থোৱা, যাতে ধুমুহা-বৰষুণৰ পৰা ঘৰখন ৰক্ষা পৰে।

শেষত, ৰঙালী বিহুৰ আন্তৰিক শুভেচ্ছাৰে-

*“বিহুটি আদৰৰ, বিহুটি সাদৰৰ, বিহুটি*
*অসমৰ প্ৰাণ;*
*এনেকুৱা বিহুটি পাতিব নাজানিলে,*
*নাথাকে অসমৰ মান।”* ■



## শিশু মনৰ ওপৰত সামাজিক মাধ্যমৰ কু-প্ৰভাৱ

■ মৃদুপৱন বৰগোহাঁই

**ব**ৰ্তমান সময়ত প্ৰায় সকলো পিতৃ-মাতৃৰে আটাইতকৈ চিন্তনীয় বিষয়টো হৈছে সন্তানৰ সামাজিক মাধ্যম (Social Media) বা ছ’চিয়েল মিডিয়াৰ প্ৰতি থকা তীব্ৰ আসক্তি। সামাজিক মাধ্যমসমূহে আমাৰ পৃথিৱীখনক হাতৰ মুঠিত আনি দিছে যদিও ইয়াৰ কু-প্ৰভাৱে নতুন প্ৰজন্মক বিপথে পৰিচালিত কৰিছে। বৰ্তমানৰ অতি জনপ্ৰিয় আৰু বহুল প্ৰচলিত শব্দবোৰেই হৈছে ফেইচবুক, হোৱাটচ্ এপ, ইনষ্টাগ্ৰাম, ইউ টিউব, টুইটাৰ আদি। এই ছ’চিয়েল নেটৱৰ্কিং ছাইটসমূহ আমাৰ মাজত ইমানেই জনপ্ৰিয় হৈ পৰিছে যে ৰাতিপুৱা বিচনাৰ পৰা উঠাৰ পৰা নিশা শুৱাৰ আগলৈকে ই যেন আমাৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছে। আনকি এদিন ফেইচবুক বা ইনষ্টাগ্ৰাম নুখুলিলে আমাৰ বাবে সময় পাৰ কৰাই কঠিন হৈ পৰে। শিশুৰ পৰা বৃদ্ধলৈকে সকলোৱেই আজি এই মায়াজালত বন্দী।

আগতে শিশুসকলে বাহিৰত খেলা-ধূলা কৰি, কিতাপ পঢ়ি বা বন্ধুৰ সৈতে সময় কটাই আনন্দ পাইছিল; কিন্তু এতিয়া বহু শিশুৱে ম’বাইল ফোন আৰু টেবলেটতে অধিক সময় কটায়। অৱশ্যে সামাজিক মাধ্যমৰ কিছু ধনাত্মক দিশো নথকা নহয়। ইয়াৰ জৰিয়তে শিশুসকলে নতুন তথ্য লাভ কৰিব পাৰে, শৈক্ষিক ভিডিঅ’ চাব পাৰে আৰু বিশ্বখনৰ বিষয়ে জানিব পাৰে। অনলাইন ক্লাছ আৰু তথ্যভিত্তিক অনুষ্ঠানসমূহে তেওঁলোকৰ জ্ঞান বৃদ্ধিত সহায় কৰে। কিন্তু ইয়াৰ ঋণাত্মক দিশবোৰহে অধিক ভয়ংকৰ।

কৈশোৰ অৱস্থাৰ পৰাই শিশু এজনৰ ভৱিষ্যতৰ দিশ নিৰ্ধাৰণ হয়। আমি বৰ্তমান এনে এখন ভাৰ্চুৱেল পৃথিৱীত উটি-ভাঁহি ফুৰিছোঁ, য’ত কেৱল ‘লাইক’ আৰু ‘কমেণ্ট’ পোৱাটোৱেই যেন জীৱনৰ চৰম লক্ষ্য হৈ পৰিছে। এইখিনিতে প্ৰশ্ন হয়- আমাৰ সন্তানসকল বাৰু এইবোৰৰ প্ৰতি প্ৰয়োজনতকৈ অধিক আসক্ত হৈছে নেকি? ই তেওঁলোকৰ পঢ়া-শুনা আৰু দৈনন্দিন কাম-কাজত ব্যাঘাত জন্মাইছে নেকি? সামাজিক মাধ্যমৰ ফলত পৰিয়াল আৰু শিক্ষাগুৰুৰ সৈতে তেওঁলোকৰ দূৰত্ব বাঢ়িছে নেকি?

আজিকালি বহু পিতৃ-মাতৃয়ে সন্তানৰ এই আসক্তি দূৰ কৰিবলৈ মনোৰোগ চিকিৎসকৰ সহায় ল’বলগীয়া হয়। অত্যাধিক আসক্তিৰ ফলত শিশুসকলৰ মাজত উদ্বেগ (Anxiety), বিষণ্ণতা (Depression) আৰু নিসংগতাৰ দৰে মানসিক সমস্যাই গা কৰি উঠিছে। পাঠ্যপুথিৰ পৰা বিচলিত হোৱা, খেলা-ধূলা আৰু খোৱা-লোৱাৰ প্ৰতি অনিচ্ছা, অনিদ্ৰা আৰু শৰীৰৰ ওজন অস্বাভাৱিকভাৱে বৃদ্ধি পোৱাৰ মূল কাৰণ এই ম’বাইলৰ নিচাই। একেৰাহে স্ক্ৰীণৰ ফালে চাই থকাৰ ফলত চকুৰো গুৰুতৰ ক্ষতি হ’ব পাৰে।

ইনষ্টাগ্ৰাম বা ফেইচবুকত দেখা আনৰ চকচকীয়া আৰু নিখুঁত জীৱনশৈলীৰ সৈতে নিজক তুলনা কৰি বহু শিশু হীনমন্যতাত ভোগে। ই তেওঁলোকৰ আত্মবিশ্বাস কমাই দিয়ে। তদুপৰি বাস্তৱ জীৱনত মানুহৰ সৈতে কথা পতা বা দলগত কাম কৰাৰ যি সামাজিক দক্ষতা, সেই অভ্যাস তেওঁলোকে হেৰুৱাই পেলায়। ইণ্টাৰনেটত থকা বয়স অনুপযুক্ত ভিডিঅ’, হিংসা বা অশ্লীলতাই শিশুৰ নৈতিক চৰিত্ৰ গঠনত বাধা দিয়ে।

এনে ক্ষেত্ৰত অভিভাৱকসকল সচেতন হোৱাটো অতি জৰুৰী। তেওঁলোকে সন্তানক ভাৰ্চুৱেল পৃথিৱীখনৰ পৰা আঁতৰাই আনি বাস্তৱ পৃথিৱীখনৰ প্ৰতি আগ্ৰহী কৰি তুলিব লাগে। বিভিন্ন চখ যেনে- কিতাপ পঢ়া, সংগীত, চিত্ৰকলা, ভ্ৰমণ বা খেলা-ধূলাৰ প্ৰতি তেওঁলোকক আকৃষ্ট কৰিব লাগে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ’ল, পিতৃ-মাতৃয়েও সন্তানৰ সন্মুখত অনবৰতে ম’বাইল ব্যৱহাৰ কৰাৰ পৰা বিৰত থাকিব লাগে, কাৰণ সন্তানে সদায় পিতৃ-মাতৃকে অনুসৰণ কৰে।

সময় মানৱ জীৱনৰ আটাইতকৈ মূল্যৱান সম্পদ। সামাজিক মাধ্যমৰ অত্যাধিক ব্যৱহাৰে যাতে আমাৰ সন্তানৰ কেৰিয়াৰ আৰু ব্যক্তিগত জীৱন ধ্বংস নকৰে, তাৰ প্ৰতি লক্ষ্য ৰখাটো সকলোৰে কৰ্তব্য। সামাজিক মাধ্যমৰ সঠিক আৰু নিয়ন্ত্ৰিত ব্যৱহাৰেহে আমাৰ উপকাৰ সাধিব পাৰে, অন্যথা ই আমাক এক অন্ধকাৰ ভৱিষ্যতৰ ফালে ঠেলি দিব। ■

গল্প | আলোচনা

## সখা দামোদৰ গল্পত প্ৰতিফলিত ব’হাগ বিহুৰ বৰ্ণনা

■ পল্লৱী দাস

**আৰম্ভণি ঃ**

‘ৰামধেনু’ যুগত ‘ভাওনা’ শীৰ্ষক গল্পৰ জৰিয়তে আত্মপ্ৰকাশ কৰি অসমীয়া কথা-সাহিত্যত এক স্বতন্ত্ৰ স্থান দখল কৰিবলৈ সক্ষম হোৱা গল্পকাৰ হ’ল ড° লক্ষ্মীনন্দন বৰা। গ্ৰাম্য জীৱনৰ সৰু-বৰ ঘটনাক সহজ-সৰল অথচ চিত্ৰধৰ্মী ৰূপত অংকন কৰাত বৰা সিদ্ধহস্ত। মানুহৰ মনৰ সূক্ষ্ম ভাব-অনুভূতিক সাৱলীলভাৱে দাঙি ধৰা তেওঁৰ অন্যতম বৈশিষ্ট্য। প্ৰখ্যাত সমালোচক প্ৰহ্লাদ কুমাৰ বৰুৱাই তেওঁৰ সন্দৰ্ভত যথাৰ্থই কৈছে- “গ্ৰাম্য জীৱনৰ বাস্তৱ চিত্ৰ অংকনত সিদ্ধহস্ত লেখক বৰাৰ গল্পৰ ভাষাৰ সাৱলীলতা আৰু বৰ্ণনাৰ চিত্ৰধৰ্মীতা আকৰ্ষণীয়।” বৰুৱাদেৱৰ এই মন্তব্য ‘সখা দামোদৰ’ গল্পটোৰ ক্ষেত্ৰতো সমানেই প্ৰযোজ্য।

**গল্পটিৰ মাজত প্ৰকাশিত ব’হাগ বিহুৰ বৰ্ণনা ঃ**

‘সখা দামোদৰ’ গল্পটোৰ প্ৰতিটো শব্দৰ মাজতে বিয়পি আছে গাঁৱৰ বোকা-মাটি, সেউজীয়া পথাৰৰ সুবাস আৰু চহা গাওঁলীয়া জীৱনৰ এক নিভাঁজ ছবি। অনাৱশ্যকীয় পৰিস্থিতিৰ সংযোজন নকৰাকৈয়ে ইয়াত এজন কৃষকৰ মানসিক অৱস্থা, পাৰিবাৰিক জীৱন আৰু জীৱিকাৰ সংগ্ৰামক অতি মৰ্মস্পৰ্শীভাৱে উপস্থাপন কৰা হৈছে। গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰ মুকুটৰ মাজেৰে ৰূপান্তৰিত মূল্যবোধৰ দ্বন্দ্বক প্ৰকাশ কৰা হৈছে।

প্ৰতিকূল পৰিস্থিতিত পৰি মুকুটে নিজৰ স্বাধীন খেতি-বাতি বাদ দি হাস্পতালত চকীদাৰৰ চাকৰি কৰিবলগীয়া হৈছিল। চাকৰি পোৱাৰ পিছত সি যেন ‘নাকী লগোৱা ম’হ’ত পৰিণত হ’ল। দুৰ্ভাগ্যবশতঃ যেতিয়া তাৰ মাটি গ’ল, লগত তাৰ প্ৰাণসম গৰু এহাল- ‘বৰৰঙা’ আৰু ‘সৰুৰঙা’কো সি বিক্ৰী কৰিবলগীয়া হ’ল। যেতিয়া ব’হাগ বিহু আহিল, মুকুট এজন প্ৰাণহীন মানুহৰ দৰে হৈ পৰিল। বিহু যেন তাৰ বাবে আনন্দৰ নহয়, ‘বৰবিহ’ৰ দৰে যন্ত্ৰণাদায়কহে হৈ পৰিল। ঘৰত পিঠাপনাৰ অভাৱ হোৱা নাছিল যদিও গোহালি উদং হৈ থকাৰ দুখে তাক ম্ৰিয়মাণ কৰি তুলিছিল।

অসমীয়া সমাজত গৰুৰ যি অপৰিসীম গুৰুত্ব, সেই কথা গল্পটোত সুন্দৰকৈ ফুটি উঠিছে। “যাৰ নাই গৰু, সি সবাতোকৈ সৰু”- এই প্ৰবাদ ফাঁকি মুকুটৰ জীৱনত যেন সত্য হৈ ধৰা দিছে। গৰু বিহুৰ দিনা মুকুটৰ গোহালিত বিৰাজ কৰা শূন্যতাই সমগ্ৰ কৃষিজীৱী সমাজৰে হাহাকাৰক প্ৰতিনিধিত্ব কৰিছে। গৰু হ’ল কৃষিৰ প্ৰতীক আৰু কৃষিয়েই আমাৰ সংস্কৃতিৰ মূল আধাৰ।

বিহু বুলি মুকুটৰ ঘৈণীয়েক ভানুৱে কানি-কাপোৰ ধুইছে, বেৰ লিপিছে আৰু পিঠা, লাৰুৰ যোগাৰ কৰিছে; কিন্তু মুকুটৰ মনটো বাৰে বাৰে পথাৰলৈ লৰ মাৰিছে। সি সৰুৰে পৰা গৰু বিহুৰ দিনা যি আনন্দ উপভোগ কৰিছিল- কাঁড় খেল, হুঁচৰি, বিহুগীত আৰু পথাৰৰ ঢোলৰ চাপৰ- সেই সকলোবোৰ এতিয়া তাৰ বাবে স্মৃতি। তাৰ বাবে এতিয়া ‘ৰামো নাই, অযোধ্যাও নাই’।

গৰু বিহুৰ আগদিনা ল’ৰা-ছোৱালীহালে মাহ-হালধি, মাখিলতি আনি থৈছে আৰু বাপেকক গৰু এহাল লাগে বুলি ঠেহ পাতিছে। কিন্তু সেই নিৰুপায় বাপেকজনে বাৰু গৰু ক’ৰ পৰা আনিব? গৰু বিহুৰ দিনা পুৱাই চুবুৰীয়াৰ গৰু ধুবলৈ নিয়াৰ শব্দ আৰু বিহুৰ সেই চিৰন্তন নামটো মুকুটৰ কাণত বাজিছে-

*“লাও খা, বেঙেনা খা,*
*বছৰে বছৰে বাঢ়ি যা...”*

প্ৰতিটো শব্দই তাৰ কাণত বিষ ঢালিছে। ভানুৱে লোকৰ ঘৰত গৰু নোৱাবলৈ গৈছে, কাৰণ আজিৰ দিনত ‘গৰু সাক্ষাৎ দেৱতা’। মুকুটেও ভাবিছে- “গাইজনী নোৱাব পৰাহ’লে গালে-মুখে গৰুৰ পৰশ লাগিলহেঁতেন আৰু বসন্ত বিদূৰ হ’লহেঁতেন।”

মনত হেজাৰ দুখ থাকিলেও ভানুৱে জপাৰ পৰা বিহুৱান এখন উলিয়াই গিৰীয়েকক দি সেৱা কৰিলে। সন্ধিয়া গাঁৱৰ প্ৰতিঘৰ মানুহে গোহালিত ‘জাগ’ দিছে। মুকুটে মাথোঁ কল্পনা কৰিছে- মানুহবোৰে চাগে নতুন পঘাৰে গৰু বান্ধিছে আৰু মাখিলতি, দীঘলতিৰে কোবাইছে-

*“মাখিলতি মাখি পাত,*
*গৰু মাৰোঁ জাত জাত।”*

এনেদৰেই গল্পকাৰে ‘সখা দামোদৰ’ত ব’হাগ বিহুৰ প্ৰথম দিনটোৰ অৰ্থাৎ গৰু বিহুৰ এখন সম্পূৰ্ণ ছবি অংকন কৰিছে। নৈত গৰু নোৱাবলৈ নিয়াৰ পৰা আৰম্ভ কৰি সন্ধিয়া জাগ দিয়ালৈকে প্ৰতিটো পৰম্পৰা ইয়াত সাৱলীলভাৱে প্ৰকাশ পাইছে। অসমীয়া সমাজত গৰু বিহুৰ যি ঐতিহাসিক আৰু সাংস্কৃতিক গুৰুত্ব, তাক ফুটাই তোলাত লক্ষ্মীনন্দন বৰা সম্পূৰ্ণ সাৰ্থক হৈছে।

আধুনিক জীৱন যাত্ৰা আৰু অভাৱ-অনাতনে মানুহক মানৱীয় প্ৰমূল্যবোধৰ পৰা ক্ৰমশঃ আঁতৰাই আনিছে। “এতিয়া বিহুৱে দাৰিদ্ৰ্যক বেছিকৈ সোঁৱৰাই মানুহক সজাগ কৰে জীৱন যুঁজত ক্ৰুৰ হ’বলৈ।” লক্ষ্মীনন্দন বৰা গ্ৰাম্য জীৱনক সাহিত্যৰ পাতত তুলি ধৰা শ্ৰেষ্ঠ গল্পকাৰসকলৰ এজন। ‘সখা দামোদৰ’ত মুকুটৰ দৰে এজন সাধাৰণ কৃষকৰ কৃষিভিত্তিক জীৱনৰ প্ৰতি থকা নিবিড় প্ৰেম অতি ৰসগ্ৰাহীকৈ উপস্থাপন কৰা হৈছে। নিঃসন্দেহে ই অসমীয়া চুটিগল্পৰ ভঁৰাললৈ এক অমূল্য অৱদান। ■




## সময়ৰ সদ্ব্যৱহাৰ

### সংগ্ৰামী জীৱনৰ অমূল্য ৰত্ন

■ যমুনা দুলু বৈশ্য

**ক**ৰ্মৰাজিৰেই এজন মানুহৰ প্ৰকৃত পৰিচয় পোৱা যায়। পৰিশ্ৰমৰ জৰিয়তে দিনে-ৰাতিয়ে কৰা সংগ্ৰামেই মানুহক পূৰ্ণতা দিয়ে। কৰ্মব্যস্ততাৰ পিছত অহা ক্লান্তি আমাৰ সংগী হ’লেহে দেহত প্ৰকৃত শক্তি পোৱা যায়। অন্যথা ভাগৰুৱা মনেৰে কৰা কামবোৰ কেতিয়াও পৰিপাটি নহয়। জীৱন থকালৈকে মানুহে প্ৰতিটো ক্ষেত্ৰতে সংগ্ৰাম কৰি যাবই লাগিব। ■ ৬ পৃষ্ঠালৈ

### অসমৰ ইতিহাসত

# আহোমসকলৰ বীৰত্ব আৰু গুণগাথা

■ জ্যোতিষ্মান হাজৰিকা

**অ**সমীয়া জাতি হৈছে অসমৰ বাসিন্দা এক সামাজিক-জাতিগত গোষ্ঠী। যাৰ গঠন বহু শতাব্দী ধৰি বিভিন্ন জাতি, ভাষা, বৰ্ণ, ধৰ্মৰ সংমিশ্ৰণৰ ফল। ই তিব্বতীয়-বৰ্মন, ইন্দো-আৰ্য আদিৰ সংমিশ্ৰণেৰে গঠিত। মূলতঃ বহুজাতিক, বহুভাষিক আৰু বহুধৰ্মবিশ্বাসী। আহোম ৰাজ্যৰ সময়ত অসমীয়া শব্দটো প্ৰধানত ৰাজনৈতিক পৰিপ্ৰেক্ষিতত ব্যৱহৃত হৈছিল। কিন্তু সময়ক্ৰমে ইয়াৰ সাংস্কৃতিক আৰু জাতিগত পৰিসীমা স্পষ্ট হৈছে। অসমীয়া জাতি গঠন প্ৰক্ৰিয়া যুগে যুগে নতুন জনগোষ্ঠীৰ সংযোগ, সমন্বয় আৰু সংস্কৃতিক শোভা বন্ধনৰ ফল হিচাপে গঢ় লৈছে। বিহু পৰম্পৰা, আহোম শাসন আৰু শংকৰদেৱৰ ভাবধাৰা জাতি গঠনত গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰিছে। অসমত থকা বিভিন্ন জাতি, জনগোষ্ঠীৰ যেনে- আহোম, কছাৰী, কোচ, ব্ৰাহ্মণ, কলিতা আদিয়ে মিলি অসমীয়া জাতি গঢ়িছে। ইংৰাজ শাসনৰ অন্তত বিভিন্ন পাৰ্বত্য গোষ্ঠীয়ে নিজৰ পৃথক পৰিচয় দখল কৰি জাতিগত ভঙা দেখা গৈছে, যদিও সামগ্ৰিক পৃথিৱীমুখী অসমীয়া জাতিৰ অনুভূতি হিচাপে ৰাখিছে। অসমীয়া জাতিৰ ইতিহাসত অষ্ট্ৰিকসকল অসমলৈ প্ৰথম প্ৰৱেশ কৰিছে বুলি অসমৰ ইতিহাসত উল্লেখ পোৱা গৈছে। তাৰ পাছত মংগোলীয় আৰু আৰ্যসকলৰ সংমিশ্ৰণ হৈছে। আৰ্য সভ্যতা আৰু সাংস্কৃতিক প্ৰভাৱ অসমীয়া জাতিত বিস্তাৰৰ বাবে গুৰুত্বপূৰ্ণ। অসমীয়া জাতি সম্বন্ধে বুৰঞ্জী আৰু সাহিত্যত বহু পণ্ডিতৰ তত্ত্ব আছে, যদিও ইয়াৰ সম্পূৰ্ণ পৰিচয় আৰু মানৱতাজনিত সমষ্টিগত ভাৱ বহুতো আলোচনা আৰু বিতৰ্কৰ বিষয়। সৰ্বমুঠ অসমীয়া জাতি এক সাম্প্ৰদায়িক একতা, বহুজাতিক পৰিচয় আৰু সমন্বিত সংস্কৃতিত আধাৰিত। ইয়াৰ মৌলিক বৈশিষ্ট্য হ'ল ভাষা, সংস্কৃতি, ধৰ্ম আৰু ঐতিহাসিক অভিজ্ঞতাৰ এক জটিল সংমিশ্ৰণ অসমীয়া জাতিৰ মূল যুগকেইটা হ'ল-

**প্ৰাচীন যুগ ঃ**

অসমীয়া জাতিৰ আধাৰ আৰম্ভ হয় প্ৰাচীন যুগৰ কামৰূপ ৰাজ্যৰ পৰা, য'ত অষ্ট্ৰিকসকল অসমৰ প্ৰথম অধিবাসী হিচাপে গণ্য কৰা হৈছিল। তেওঁলোকে দক্ষিণ-পশ্চিম ভাৰতৰ পৰা অসমত আহিছিল আৰু ইয়াৰ পাহাৰীয়া অঞ্চলত বাস কৰিছিল। এই সময়ত দ্ৰাবিড় আৰু মংগোলীয় জাতিৰ সংযোগ আৰু সম্বন্ধৰো আৰম্ভ হৈছিল।

**মধ্য যুগ ঃ**

অসমৰ বুৰঞ্জীৰ মতে খিলঞ্জিৰ আগমনৰ সময়ত ১২০৬ খ্ৰীষ্টাব্দত অসমত মধ্য যুগ আৰম্ভ হয়। ইয়াত আহোম বৰ্ণনাৰ পৰা আহোম শাসনকাল উল্লেখযোগ্য। য'ত টাই জাতিৰ আহোমসকল ৰাজ্য স্থাপন কৰে আৰু অসমীয়া জাতিৰ গঠন আৰু সংস্কৃতিৰ বিকাশ কৰে। ইয়াৰ পিছত আৰ্যসকল অসমলৈ আহি স্থানীয় দ্ৰাবিড় জনগোষ্ঠীৰ সৈতে সংযুক্ত হয়।

**ঔপনিৱেশিক যুগ ঃ**

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পাছত অসম ইংৰাজ শাসনৰ অধীন হয়। এই সময়ত অসমলৈ বিভিন্ন অঞ্চলৰ মানুহ আহি বসতি গ্ৰহণ কৰে। বিশেষকৈ পূৰ্ব বংগৰ পৰা মানুহৰ আগমন ঘটে। ইংৰাজ শাসনৰ সময়ত চাহ-বাগিচাৰ বিস্তাৰ ঘটে আৰু নতুন জাতি-জনগোষ্ঠীসমূহৰ প্ৰব্ৰজন হয়।

**স্বাধীনতা-পৰৱৰ্তী যুগ ঃ**

ভাৰতৰ স্বাধীনতাৰ পাছত অসমৰ পৰা কেইবাটাও পাৰ্বত্য গোষ্ঠীয়ে স্বাধীনতা দাবী কৰে। যাৰ ফলত অসমীয়া জাতিৰ ভিতৰত সৃষ্টি হয় ভাঙোনমুখী। ইয়াৰ পাছত অসমীয়া জাতি বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক পৰিৱৰ্তনৰ সন্মুখীন হয়। আহোম ৰাজত্বৰ উত্থান ১২২৮ খ্ৰীষ্টাব্দত ৰাজকুমাৰ চাওলং চ্যুকাফাই পাটকাই পৰ্বত পাৰ হৈ অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰি আহোম ৰাজ্য প্ৰতিষ্ঠা কৰাৰ লগে লগে আহোম নামটোৰ পৰা অহম হয় তাৰ পৰৱৰ্তী সময়ত অহম নামৰপৰা অসম নামটো উৎপত্তি হয় বুলি অসমৰ ইতিহাসত উল্লেখ পোৱা যায়। তেওঁক আহোমসকলৰ প্ৰথম ৰজা স্বৰ্গদেৱৰূপে গণ্য কৰা হয়। ইয়াৰ পৰা গম পোৱা যায় যে তেওঁ দিনৰপৰা আহোমৰ ৰজাসকলক স্বৰ্গদেউ বুলি সম্বোধন প্ৰথা আৰম্ভ হয়। চ্যুকাফাই সূচনা কৰিলে এটা শক্তিশালী, সুসংগঠিত ৰাজবংশ, যিয়ে প্ৰায় ৬০০ বছৰ ধৰি অসমত শাসন কৰিছিল। প্ৰশাসনিকভাৱে তেওঁ (ফৈদ) নামৰ পদ্ধতি সৃষ্টি কৰিছিল, তাৰ পিছত যাক (খেল) প্ৰণালী কৰি সম্পূৰ্ণ ৰূপ দিয়া হৈছিল। আহোমসকলেই পোনপ্ৰথমে পানীখেতি বা ধানৰ খেতি উন্নত প্ৰযুক্তি অসমত আৰম্ভ কৰিছিল আৰু এটা শক্তিশালী অৰ্থনীতিৰ আধাৰ হিচাপে (পাইক) প্ৰথা চলাইছিল। আহোম ৰাজ্যৰ সমাজত প্ৰভাৱ বিস্তৃত আছিল। প্ৰাচীন আহোমসকলে চুবুৰীয়াৰ বিভিন্ন জনজাতি আৰু গোষ্ঠীৰ সৈতে যুদ্ধত জয়লাভ কৰি তেওঁলোকৰ সীমা বিস্তাৰ কৰে আৰু পিছত আহোমকৰণৰ মাধ্যমে বহুজাতিক সমাজ গঢ়ি তুলিছিল। ৰাজনৈতিক আৰু সামাজিক একতাক বজাই ৰাখিবলৈ শাসন ব্যৱস্থা প্ৰয়োগ কৰিছিল। যাক তেওঁলোকে কিছুমান বিষয়বাব দিছিল যেনে বৰফুকন, বৰবৰুৱা, বুঢ়াগোহাঁই আদি। এই পদসমূহে প্ৰশাসনিক আৰু সাময়িক কামত সহায় কৰিছিল। ১৭শ শতিকাত আহোম ৰাজ্য মোগল আক্ৰমণৰ বিৰুদ্ধে বহু যুদ্ধ চলিছিল, লাচিত বৰফুকনৰ নেতৃত্বত মোগলক পৰাস্ত কৰি ৰাজ্যৰ সীমা মানস নদীলৈকে বিস্তাৰ কৰিছিল। আহোমৰ শাসনকালে ধৰ্মীয় আৰু সাংস্কৃতিক পৰিৱৰ্তন হোৱা, যি কিনা হিন্দু ধৰ্মৰ প্ৰভাৱ বৃদ্ধি পোৱাত সহায় কৰিছিল। আহোমৰ সংস্কৃতি, ভাষা আৰু ধৰ্মীয় আচাৰ-অনুষ্ঠান সমাজ গঠনত গভীৰ প্ৰভাৱ পেলাইছিল। ৰজা প্ৰতাপ সিংহৰ সময়ত ৰাজ্য প্ৰশাসন আৰু সামাজিক ব্যৱস্থাত উল্লেখযোগ্য উন্নতি হয়। এইদৰে আহোম ৰাজত্বৰ উত্থান অসমীয়া জাতিৰ গঠন, সাংস্কৃতিক ঐক্য আৰু সামাজিক পৰিচয় স্থাপন কৰাৰ ক্ষেত্ৰত বিশেষ অৱদান ৰাখিছিল। এই সময়ছোৱাত স্থানীয় জনগোষ্ঠী আৰু বিচিত্ৰ ৰাজনৈতিক ক্ষমতাৰ সংযোগে সংস্কৃতিৰ এক বিশাল মিশ্ৰণ সৃষ্টি হৈছে। লগতে নামঘৰ আৰু সত্ৰ ধৰণৰ ধৰ্মীয় আৰু সাংস্কৃতিক প্ৰতিষ্ঠানসমূহে অসমীয়া সংস্কৃতিৰ অন্যতম গুৰুত্বপূৰ্ণ অংশ ৰূপে গঢ় লয়। উল্লেখযোগ্য যে অসমীয়া সংস্কৃতিত বঢ়া জাতি-উপজাতিৰ ভাষা, কলা, উৎসৱ আৰু সামাজিক আচাৰ-ব্যৱহাৰৰ এক সুকীয়া মিলন দেখা যায়। সংক্ষেপে, অসমীয়া সংস্কৃতিৰ বিকাশ ইতিহাসখনত কামৰূপৰ পৰা আহোম ৰাজত্বলৈ আৰু বৈষ্ণৱ আন্দোলন হৈ আধুনিক যুগলৈ অহা এক সমৃদ্ধ আৰু বহুস্তৰীয় সংযোগৰ ফলস্বৰূপ। য'ত বিৰাট জাতিগত, ধৰ্মীয় আৰু সাংস্কৃতিক শিক্ষা বৃদ্ধিৰ এক অংশ হিচাপে গঢ় দিছে। এক কথাত ক'বলৈ গ'লে গদাধৰ সিংহ আৰু তেওঁৰ পুত্ৰ ৰুদ্ৰ সিংহৰ সময়ত আহোম ৰাজ্য সম্প্ৰসাৰিত আৰু উন্নতিশীল হিচাপে পৰিগণিত হৈছিল। বিগত ১৭শ শতিকাৰ শেষৰ ভাগত মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণৰ ফলস্বৰূপ আহোমৰ শক্তি অধৰ্ম হৈ পৰে আৰু ১৮২৬ খ্ৰীষ্টাব্দত ইয়াণ্ডাবু সন্ধিৰ দ্বাৰা অসমতে ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে শাসন আৰম্ভ কৰে। এই কালখণ্ডসমূহ আহোম ৰাজত্বৰ ইতিহাসৰ মূল দিশৰেখা। আহোমৰ ৰাজত্ব কাল আছিল ১২২৮-১৮২৬ চনৰ মাজৰ ছয় শতকৰো অধিক সময়, এই সময়ছোৱাত অসমে এক সুসংগঠিত ৰাজ্যিক পৰিসৰ আৰু সাংস্কৃতিক সমৃদ্ধি উপলব্ধি কৰে আৰু মোগল আৰু অন্যান্য শত্ৰুৰ আক্ৰমণ ৰোধ কৰে তেওঁলোকে। শৰাইঘাট যুদ্ধ ১৬৭০-৭১ চনৰ মাজভাগত ব্ৰহ্মপুত্ৰ নৈৰ শৰাইঘাটত সংঘটিত এক প্ৰখ্যাত যুদ্ধ হৈছিল য'ত আহোম ৰাজ্যৰ নেতা লাচিত বৰফুকনে মোগল সাম্ৰাজ্যৰ সেনাপতি ৰামসিংহৰ নেতৃত্বত থকা মোগল বাহিনী পৰাস্ত কৰে। দুৰ্ভাগ্যবশতঃ কথা যে মোগল সৈন্য বাহিনী ভৰপূৰ আৰু শক্তিশালী আছিল। মোগলৰ আগমনৰ খবৰ পায় অসমৰ মুনিহ তিৰোতা জাঙুৰ খাই উঠিল। এই যাত্ৰাত হাজাৰ বিজাৰ মুনিহ তিৰোতাই হাতত উদ্যত হেংদাং লৈ ৰংচন্দ্ৰী মুক্তি ধৰি ওলাই আহিছিল যুদ্ধ ক্ষেত্ৰলৈ। কিন্তু মোগল সৈন্যৰ নৌসেনা দুৰ্বল আছিল। আনহাতে আহোম সৈন্য গৰিলা যুদ্ধ কৌশল আৰু সমভূমি ব্যৱহাৰ কৰি মোগলসকলক ব্ৰহ্মপুত্ৰ নদীৰ পৰা বাকী সমস্থ ৰাজ্যত ঠেকাই দিয়াৰ সফলতা লাভ কৰে। এই যুদ্ধে আহোমসকলৰ মনোবল বেছি উৰ্দ্ধমুখী হয় আৰু লাচিতৰ চৰম নেতৃত্ব প্ৰদৰ্শন কৰে। মোগলৰ শীৰ্ষ সেনাপতি আৰু ৪,০০০ সেনা নিহত হয়, আৰু মোগল বাহিনী পৰাজিত হয়। এই যুদ্ধৰ ফলত মোগলে অসমত নিজৰ সাম্ৰাজ্য বিস্তাৰ কৰাৰ চেষ্টাৰ অন্তৰলৈ যোৱা বুলি গণ্য কৰা হয়। এই যুদ্ধৰ পিছত ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰত মানাহ নদীয়ে ৰাজ্য সীমা নিৰ্ধাৰণ কৰে আৰু গুৱাহাটীৰ আশে-পাশে আহোমৰ আধিপত্য স্থায়ী হয়। মোগল বাহিনীক গুৱাহাটী আৰু উত্তৰ অসমৰ পৰা যাবলৈ বাধ্য কৰা হয়। এই যুদ্ধত পৰাস্ত হৈ মোগল সৈন্যই অসমৰ সৈন্যক উচ্চ প্ৰশংসা কৰে। কাৰণ মোগলসকলে নিশ্চয় জানে যে আহোমসকলে শুকান সান্দহ গুড়ি খাই যুদ্ধক্ষেত্ৰত প্ৰৱেশ কৰিছিল। তেওঁলোকে ভাবিলৈ বাধ্য হৈছিল যে এইবোৰ খাই তেওঁলোকে ক'ৰপৰা ইমান শক্তি লাভ কৰিলে। মোগল শাসকসকলে অসমৰ বিষয়ে এনেদৰে লিখিছে যে অসমৰ প্ৰাকৃতিক পৰিৱেশ অতি মনোমোহা। তেওঁলোকে যুদ্ধ কৰিবলৈ অহাৰ সময়তে দুবৰিৰ দলিচাত নিয়ৰৰ টোপালবোৰে সৃষ্টি কৰিছিল একো একোটা মায়াৰ দৃশ্য। অসমৰ ওখৰ ওখৰ পাহাৰ বোৰে আচ্ছাদিত কৰি ৰখা পৰিৱেশটো চাই মোগলসকল ভোল গ'ল। অসমত থকা গছৰ পাতবোৰ, নৈৰ বালি, কৃষিজীৱন আৰু ধানৰ উৎপাদন, হাঁহ-কণী, মাটি দালি আৰু বৰা চাউলেৰে দেউল সজোৱা, ধূলিত সোণ-হীৰা-মণিৰ উপস্থিতি আদিৰ বৰ্ণনা মোগলসকলে দিছিল। যুদ্ধৰ সময়ত অসমীয়া সৈন্য সেনাৰ বীৰত্ব আৰু স্বদেশপ্ৰেমেও মোগলসকলৰ মনত গভীৰ প্ৰভাৱ পেলাইছিল। তেওঁলোকে অসমীয়া জনতাৰ অসাধাৰণ ৰণকৌশল আৰু বীৰত্বৰ প্ৰশংসা কৰিছে। আহোম আৰু মোগলৰ মাজত সংঘৰ্ষৰ বিষয়ে মোগলসকলে লিখিছে যে তেওঁলোকে ৰাজনৈতিক প্ৰভুত্বৰ বাবে অসমৰ কামৰূপ অঞ্চল আক্ৰমণ কৰিছিল, কিন্তু আহোমসকলে শক্তিশালী প্ৰতিবাদ আৰু যুদ্ধৰ জৰিয়তে মোগলৰ আগ্ৰাসন প্ৰতিহত কৰিছিল। মোগলসকলে অসমক এতিয়া এক ধনৱন্ত, সংস্কৃতিপৰিপূৰ্ণ আৰু পবিত্ৰ দেশ বুলি বৰ্ণনা কৰিছে, য'ত বাণিজ্যিক সম্পৰ্ক আৰু পৰিশ্ৰমিক শান্তি থাকিবলৈ চেষ্টা হৈছিল অসমৰ প্ৰাকৃতিক সম্পদ। ভূমি আৰু সুৰক্ষিত অঞ্চল হিচাপে ইয়াক গুৰুত্ব দি আছিল যদিও মোগলসকলে অসমত পূৰ্ণ আধিপত্য স্থাপন নকৰাকৈ সীমান্ত অঞ্চল হিচাপে গণ্য কৰিছিল। ইতিহাসত মোগলসকলৰ অসম আগ্ৰাসন তেওঁলোকৰ উত্তৰ-পূৰ্বাঞ্চল বিস্তাৰৰ এক অংশ আছিল। কিন্তু অসমীয়া ৰাজ্যৰ সফল প্ৰতিৰোধ আৰু কঠোৰ ভূ-গঠন তথা জৈৱ বিস্তৃতি কাৰণে মোগলৰ সাম্ৰাজ্যই ইয়াক সামৰিকভাৱে অধিক সময় গ্ৰহণ কৰিব নোৱাৰিছিল। একাংশ বুৰঞ্জীসকলৰ মতে, মোগলসকলে অসমৰ জনসংখ্যা, সংস্কৃতি আৰু ৰাজনৈতিক সংগঠনক চিনাকি কৰিছিল, কিন্তু সেই সময়ৰ অধিকাংশ লেখাত অসমত মোগলসকলে পৰাজিত হোৱাৰ ঘটনা আৰু লাচিত বৰফুকনৰ বীৰত্বক বিশেষভাৱে উল্লেখ কৰা হৈছে। মোগলসকলে অসমৰ বিষয়ে লিখাৰ সময়ত ইয়াক এক প্ৰকাণ্ড আৰু প্ৰতিদ্বন্দ্বী শক্তিৰ ৰূপে বিবেচিত কৰিছিল য'ত তেওঁলোকৰ আগ্ৰাসীৰ পূৰ্ণ সফলতা হোৱা নাছিল। শৰাইঘাটৰ যুদ্ধ আহোম-মোগল সম্ৰাজ্যৰ মাজত আন্তৰ্জাতিক ঐতিহাসিক ঘটনাৰূপে চিনাকি পায় আৰু অসমীয়া ইতিহাসত লাচিত বৰফুকনৰ বীৰত্বৰ স্মাৰকৰূপে অমৰ হৈ আছে। লাচিত বৰফুকনৰ বিষয়ে মোগলসকলে এনেদৰে লিখিছে। এনেদৰে অসমৰ ইতিহাস আৰম্ভ হৈছিল। আমাৰ ইতিহাস আমাৰ বাবে গৌৰৱৰ কাৰণ।

আহক সকলোৱে মিলি আমাৰ অসমখন উজ্জ্বল নক্ষত্ৰলৈ আগবঢ়ায় লৈ যাওঁ। ■

## সৰলতাৰ সুগন্ধ

— ডঃ ইকবাল হুচেইন খান

কবিতা

তপ-জপ হওক মানৱতাৰ শিখাৰে,
হৃদয়ে হৃদয়ে বৈ আহক ভাতৃত্বৰ লহৰ।
সৰলতাৰ সুগন্ধত জগত হাঁহক,
জীৱন হৈ উঠক ধন্য।
সৰগীয় হৃদয়ত
কোমল কোমল ভাবনাৰ অমৃত,
প্ৰেমৰ আল্পনাতে আছে সৃষ্টিৰ আনন্দ।
প্ৰেম সুন্দৰ,
জীৱন সুন্দৰ,
সুন্দৰ এই জগত;
সুন্দৰ সুন্দৰ প্ৰতিটো সৃষ্টি।
এটি এটি বিশালতাৰ গান
হৃদয়ৰ মিলন,
বাজি থাকক চিৰকাল মানৱতাৰ গান।

২ পৃষ্ঠাৰ পৰা ■

'মোৰ মৰমৰ পলাশ,

যদি এই চিঠিখন তই পঢ়িছ, তেন্তে হয়তো মই তোৰ কাষত নাথাকিম। কিন্তু মনত ৰাখিবি- মই সদায় তোৰ লগতে আছোঁ। তই সৰু থাকোঁতেই দেউতাৰাক হেৰুৱালি। এতিয়া যদি মোকো হেৰুৱাইছ, তেন্তে জীৱনক দোষ নিদিবি। জীৱনে সদায় ন্যায় নকৰে, কিন্তু তই সাহস কৰি আগবাঢ়ি যাবি। তোৰ পঢ়াই মোৰ সপোন। তই সফল হ'লেহে মোৰ যুঁজখনত মই জিকিম। মানুহে দুখ পায়, কিন্তু দুখেই মানুহক শক্তি দিয়ে। তই কেতিয়াও সৎ পথ এৰি নিদিবি। মই তোৰ ওপৰত গৌৰৱ কৰোঁ। - ইতি, তোমাৰ মা।'

চিঠিখন পঢ়ি পলাশ দীৰ্ঘসময় ধৰি স্তব্ধ হৈ বহি থাকিল। চকুৰ পানীৰে চিঠিখন তিতি গ'ল যদিও বুকুৰ ভিতৰত এক দুৰ্বাৰ দৃঢ়তা জাগ্ৰত হ'ল। সেই চিঠিখনকেই সম্বল কৰি পলাশে নতুনকৈ জীৱন আৰম্ভ কৰিলে। দিনত কাম আৰু ৰাতি পঢ়া- এই সংগ্ৰাম অব্যাহত থাকিল। বহুতে ক'লে- "এতিয়া পঢ়া বাদ দি কামত লাগ।" কিন্তু পলাশৰ কাণত বাজি থাকিল মাকৰ সেই বাক্যটো- "তোৰ পঢ়াই মোৰ সপোন।"

কেইবছৰমানৰ পাছত পলাশে স্নাতক ডিগ্ৰী লাভ কৰিলে আৰু পৰৱৰ্তী সময়ত প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ হৈ চৰকাৰী চাকৰিত যোগদান কৰিলে। চাকৰিৰ প্ৰথম দৰমহাৰে সি মাকৰ নামত এখন সৰু চিকিৎসালয় নিৰ্মাণৰ কাম আৰম্ভ কৰিলে- যাতে টকাৰ অভাৱত আন কোনোৱে চিকিৎসা অবিহনে প্ৰাণ হেৰুৱাব নালাগে। চিকিৎসালয়খনৰ নাম থলে- "সৰলা দেৱী মেম'ৰিয়েল হাস্পতাল"। উদ্বোধনৰ দিনা পলাশে আকাশলৈ চাই নীৰৱে ক'লে- "মা, মই চেষ্টা কৰিছোঁ তোৰ সপোন পূৰণ কৰিবলৈ।"

গাঁওবাসীয়ে এতিয়া পলাশক এজন সফল মানুহ হিচাপে চিনি পায়। কিন্তু পলাশে জানে- এই সফলতাৰ আঁৰত আছে এখন দুখভৰা চিঠি আৰু এগৰাকী মাতৃৰ অসীম ত্যাগ। পলাশৰ ঘৰখন এতিয়া পকী হ'ল যদিও সি পুৰণি মাটিৰ চৌকাটো আজিও সাঁচি ৰাখিছে- য'ত মাকে ৰাতি-দিন একাকাৰ কৰি তাক দুবেলা দুসাঁজ ৰান্ধি খুৱাইছিল। সেই ঠাইতে বহি সি কেতিয়াবা আজিও চিঠিখন পঢ়ে।

সি বুজি উঠিছে- জীৱনে কেতিয়াবা আমাৰ পৰা বহুত কিবা কাঢ়ি লয়, কিন্তু যদি আমি সেই দুখক শক্তিলৈ ৰূপান্তৰ কৰিব পাৰোঁ, তেন্তে সেই দুখেই আমাৰ সঠিক পথ প্ৰদৰ্শক হৈ পৰে। পলাশৰ কাহিনী আজি মধুপুৰ গাঁৱৰ প্ৰতিজন ল'ৰা-ছোৱালীৰ বাবে প্ৰেৰণাৰ প্ৰতীক। কাৰণ তেওঁলোকে জানে- এগৰাকী মাতৃৰ সপোন কেতিয়াও শেষ হৈ নাযায়। ■

## আজিৰ পৰিৱেশত সন্তানৰ প্ৰতি অভিভাৱকৰ দায়িত্ব আৰু কৰ্তব্য

■ ৰেখা বৰকটকী

**এ**য়া বিশ্বায়নৰ যুগ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অপূৰ্ব যুগসন্ধিৰ সময়। এই সময়ত "শিয়ালীয়ে নাহিবি ৰাতি" বা "আমাৰে মইনা শুব এ" ধৰণৰ নিচুকনি গীত গাই শিশুক টোপনি যোৱাৰ যুগ আৰু নাই। আজিৰ সময়ত শিশুহঁতে স্মাৰ্টফোনৰ সংগীতৰে সাৰ পায়। গতিকে প্ৰেক্ষাপট সলনি হোৱাটোৱেই স্বাভাৱিক।

আমাৰ সন্তানসকলৰ উঠি অহা জীৱনবোৰ আজি কিছু ক্ষেত্ৰত স্থবিৰ হ'বলৈ ধৰিছে। আধুনিক পৃথিৱীৰ ধামখুমীয়াত সিহঁতৰ ব্যক্তিসত্তাৰ সামগ্ৰিক বিকাশত যেন ব্যাঘাত জন্মিছে। বীজটো উৎকৃষ্ট হ'লেই জানো সুস্থ-সবল গছজোপা আশা কৰিব পাৰি? উপযুক্ত পৰিচৰ্যা, সাৰ-পানী আৰু ৰ'দ-বৰষুণৰ অবিহনে এজোপা সবল বৃক্ষৰ কল্পনা কৰাটো অযুক্তিকৰ।

এটা শ্ৰেণীকোঠাত শিক্ষকৰ চোকা দৃষ্টিত মনস্তাত্ত্বিক পদ্ধতিৰে ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদান কৰা হয়। সিহঁতৰ মাজত থকা বিসংগতিবোৰ শিক্ষকে অধ্যয়ন কৰি নিৰাময়ৰ চেষ্টা কৰে। তেনেক্ষেত্ৰত স্মাৰ্টফোন এটা হাতত লৈ কণ-কণ শিশুহঁতৰ শিক্ষা গ্ৰহণ কাৰ্য কিমান ফলপ্ৰসূ হ'ব, সেয়া নিশ্চয় এক চিন্তনীয় বিষয়। আজি ম'বাইল ফোনত উপলব্ধ সস্তীয়া আমোদ-প্ৰমোদেৰে শিশুৱে সময় অতিবাহিত কৰাটো এক সুলভ দৃশ্য। সন্তানসকল আজি ম'বাইল 'মেনিয়া'ৰ চিকাৰ হৈ পৰিছে। বহু সময়ত বয়স্কসকলেও শিশুক শান্ত কৰিবলৈ তেওঁলোকৰ হাতত ম'বাইলটো গুজি দিয়ে। এনেবোৰ কাৰণতে আমি অধ্যয়নৰ বাবে শিশুসকলক সঠিক পৰিৱেশ দিব পৰা নাই।

এইখিনিতে আমি 'কৃত্ৰিম বুদ্ধিমত্তা'ৰ (Artificial Intelligence) ওপৰতো দৃষ্টি নিক্ষেপ কৰিব লাগিব। আজিৰ সময়ত ই এনে এক জটিলতাৰ সৃষ্টি কৰিছে, যাৰ ফলত সন্তানসকলৰ সৃষ্টিশীলতা একপ্ৰকাৰ লোপ পাইছে। সিহঁতে নিজাববীয়াকৈ একো সৃষ্টিৰ বাবে যত্নপৰ নহয়, মাথো গুগলৰ (Google) পৰা পোৱা জ্ঞানেৰে বুদ্ধিৰ পৰিচয় দিব বিচাৰে। ইয়াক "Spoon feeding technology" বুলি ক'ব পাৰি, যি মগজুৰ স্বাভাৱিক বিকাশত বাধা স্বৰূপ। এই বিষয়টো প্ৰত্যেকগৰাকী মাতৃয়ে অনুধাৱন কৰাটো জৰুৰী। আন এটা উল্লেখযোগ্য বিষয় হ'ল আধ্যাত্মিকতা। এটি শিশুৰ চাৰিত্ৰিক বিকাশত আধ্যাত্মিক শিক্ষা অতিকৈ জৰুৰী। হৃদয়ত আধ্যাত্মিকতা বা নৈতিকতা থকা শিশুৱে ভাল-বেয়াৰ বিচাৰ কৰিব জানে আৰু সহজে বিপথগামী নহয়। মাতৃয়ে শিশুৰ সৈতে শোৱাৰ সময়ত যি কাহিনী বা মহৎ লোকৰ কথা শুনায়, সিহঁতৰ মনত তাৰ প্ৰভাৱ গভীৰ হয়। আগৰ দিনত পাঠ্যপুথিত 'চৰিত্ৰ পাঠ' আছিল। আজি তেনে শিক্ষাৰ অভাৱত বহু শিশু উদণ্ড আৰু শিষ্টাচাৰহীন হৈ পৰিছে। ইয়াৰ মূলতে হ'ল অভিভাৱকৰ উদাসীনতা আৰু পাশ্চাত্য সংস্কৃতিৰ প্ৰভাৱ। মাতৃগৰাকী সন্তানৰ আটাইতকৈ ওচৰৰ, সেয়ে তেওঁ সন্তানৰ মানসিক জগতখন সহজে বুজিব পাৰে।

আজিৰ নাচ-গান বা ■ ৭ পৃষ্ঠালৈ

## ভোকাতুৰ

**— জয়ন্ত কুমাৰ নাথ**

মই বৰ ভোকাতুৰ এমুঠি অন্নৰ বাবে,
পেটৰ তাড়নাত ছটফটাই দিনে-নিশাই
ফুৰিছোঁ মাথোঁ বিচাৰি
এমুঠি জীৱন জীয়াৰ ক্ষুধাকণ।
কি পাইছোঁ খোৱাৰ নামত?
ৰস নোহোৱা এমুঠি শুকান হাড়,
বিষাক্ত দ্ৰব্যৰে সজোৱা ‘মহামাৰীৰ বীজ’।
তথাপিও জানো পাৰিছোঁ-
ভোকক বান্ধি ৰাখি বিচাৰিব সতেজ আহাৰ?
লোভ-লালসা মোৰ নাই,
ধনৰ পিছত দৌৰিবলৈ শক্তিও মোৰ নাই;
কিন্তু আছে জীৱন জীয়াৰ কিছু তীব্ৰ ভোক।
এধানি সুখ আৰু শান্তিৰ ভোকত-
মই দৌৰি আছোঁ সংগ্ৰামৰ পিছত।
কাৰণ মায়াৰ ভোকত বন্দী আজি জীৱন,
জীৱন হেৰালেও নেহেৰাও কেতিয়াও পণ।
ভোগ কৰিবলৈ মোৰ ভাগ্য নাই,
আছে মাথোঁ কিঞ্চিত আশা;
বাসনাৰ সৈতে যুঁজি যুঁজি মই ভাগৰুৱা।
দায়িত্ব আৰু কৰ্তব্যৰ ভোকে ফুৰিছে খেদি,
হেঁপাহবোৰ পূৰাবলৈও আজি নাই শকতি।
খাবৰ বাবে মই জীয়াই থকা নাই,
জীয়াই থাকিবলৈহে খাইছোঁ কিঞ্চিৎ ভোজন;
তাকো পাইছোঁ- উচ্চ বৰ্ণ জাতে
এৰি যোৱা অলপমান এৰেহা।
কাৰণ মই বৰ ভোকাতুৰ;
ভোকৰ যন্ত্ৰণাত জীৱন হেৰুৱাতকৈ-
পৰিশ্ৰমৰ সাধনাৰে পূৰাওঁ মোৰ ক্ষুধা।

## অনুভৱ

**— মেঘনা অনুভৱী (কৰবী)**

(১)
কোনে কয় আপুনি নাই!
নিসংগতাই নে মৌনতাই?
নে বুকুত সমাধি হোৱা-
হেজাৰটা সৰাফুলৰ কবিতাই?
আপুনিটো আছে সদায়,
মোৰ হৃদয়ৰ চৌপাশ উজ্জ্বল কৰি...।

(২)
আকাশ নে জোনাক?
মোক যে সুধিছিল আপুনি;
মই যে চিএৰি কৈছিলোঁ-
মাথোঁ আপোনাক!
জোনাক অথবা আকাশতকৈও
বহুত বেছি প্ৰিয় যে আপুনি!!

(৩)
ভালপোৱাৰ দিকচৌ বাটেৰে-
ৰঙা-ৰঙা লাজবোৰে মুখ ঢকাৰ পৰত,
নাইবা চকুত চকু থৈ কোৱা কথাযাৰত...
অনুভৱ কৰে নে বাৰু?
মই যে আছোঁ সদায়-
মাথোঁ আপোনাৰ কাষত!!

## এজাৰফুলীয়া

**— ডাঃ জুলি এম বৰুৱা**

নতুন সাজেৰে অলংকৃত
কপৌফুলীয়া সপোনৰ উশাহটিত আমাৰ চিত্ত
যেন বগোৰা বাই চুমি যোৱা অগণন বনফুল;
আঁকোৱালি ৰাখিছোঁ
চোতালৰ ৰঙৰ সুৰ...
ঋতুৰাণীৰ কপাহী চাদৰৰ আঁচলত বান্ধি;
বসন্তৰ সুবাসত মতলীয়া কৰা ধৰাৰ পৰাণ
আৰু জাকি মাৰি আহা
কলৰৱ পুষ্প ঋতুৰ
এয়াই জানো নহয় এজাৰফুলীয়া ব’হাগ;
গগনা, নেঘেৰী-খোপাৰ
বৰযুণৰ টোপ টোপ দুহাতৰ ৰেখা গণি
নাহৰ যঁতৰ বিহুৱতী নাচনী;
আলিবাটৰ যোজনাৰ বুলনি
আদৰিছোঁ কুঁহিপাতৰ কোমল মৃদু কঁপা চাৱনি
এয়াই জানে নহয় এজাৰফুলীয়া ব’হাগ।

## পোক

**— ৰিনচুম লাহন**

মনৰ অব্যক্ত কথাৰ সিপাৰে
আছে এটা বিকৃত ধাৰণা...
সেই ধাৰণাত আছে কিছু টুকুৰা অনুভৱৰ বোজা
বোজাবোৰ গধুৰ হৈ হৈ এটা শিল হৈছে...
আৰু শিলৰ মাজত ছাই হৈ পৰি ৰৈছে
এটা ভাষাহীন অভিমানী মন...
পোকে খাই উৰলি যোৱা এটা মন...
ক’ৰপৰা আহিল জানো এই পোকটো...!
নিঃশেষ কৰি দিলে অ’ হঠাৎ ৰঙীন মনটো
ঘূৰি নহাৰ দিশে গুছি গ’ল মনটো
পোকৰ অভিলাষো পূৰণ হ’ল
আজি ভালপোৱাত মনটো ক’ৰবাতে হাৰি গ’ল
জীৱনৰ গতি অবিৰত চলি থাকিল
মনটো শিল হৈ ৰ’ল... এটা অভেদ্য শিল।

## মুখা

**— অলকেশ খাটনিয়াৰ**

মুখা খোলাৰ সময়
আহি গ’ল;
অবৰ্ণনীয় অত্যাচাৰ,
শোষণৰ প্ৰত্যুত্তৰ দিয়াৰ
এয়াই উচিত সময়।
সমাজত মুখা পিন্ধা
তথাকথিত ভদ্ৰ লোকৰ
মুখাৰ আঁৰৰ সেই মুখখনক
চিনাকি কৰি দি
সমাজত চলি থকা
বিশৃংখলতাক নাইকিয়া কৰাৰ
এয়াই প্ৰকৃত সময়।

## ব’হাগৰ নাচোন

**— ৰাতুল চেতিয়া ফুকন**

পচোৱা বতাহৰ আঁচলত ধৰি
তই যাগৈ ফাগুন;
এতিয়া মোৰ পদূলিত
ব’হাগৰ নাচোন।
কেতেকী দহিকতৰাৰ সমবেত গান,
বতাহত নাহৰ-তগৰৰ মতলীয়া সুঘ্ৰাণ;
যদিও ফাগুন বুকুৰ আপোন
ব’হাগ যে মোৰ যৌৱনৰ সপোন।
বৰদৈচিলা উৰুৱাই
ব’হাগৰ সতে মোৰো নাচোন।

## হেঁপাহৰ ৰঙালী

**— শিখামণি দত্ত**

বসন্তৰ হাতবাউলিৰে অসমীৰ বুকুলৈ
আকৌ আহিল হেঁপাহৰ ৰঙালী!
তাঁতৰ শালত বহু দিনৰ পাছত শিপিনীৰ
হাতৰ পৰশত প্ৰাণ পালে,
এহতীয়া ফুলৰ আশী পকোৱা গামোচাখনে।
প্ৰিয়জনক যে যাচিব লাগিব-
এখনি ফুলাম বিহুৱান!
ফাগুনে লঠঙা কৰা গছবোৰত
নতুন কুঁহিপাত ওলাল;
কপৌ, তগৰ, ভাটো ফুলবোৰে-
নাচনীৰ খোপাত প্ৰাণ পাবলৈ,
লহপহকৈ ফুলি উঠিল!
কুলি-কেতেকীয়ে গছৰ ডালত পৰি
নতুন গানৰ লহৰ তুলিলে।
ব’হাগৰ আগমনক লৈ প্ৰকৃতিৰো যেন
বিশাল আয়োজন!
চ’তৰ শেষত আলফুলীয়াকৈ আহিল-
হেঁপাহৰ বিহুটি, আদৰৰ ৰঙালী!
ঢুলীয়াৰ ঢোলৰ চাপৰত
নাচনীৰ থৌকিবাথৌ মন;
দূৰণিৰ পথাৰত বাজিছে
মহৰ শিঙৰ পেঁপাটি!
সকলোৱে যেন ব্যস্ত এতিয়া-
হেঁপাহৰ ৰঙালীক আদৰণি জনাবলৈ।

## উপহাৰ

**— তৃষ্ণা বৰ্মন**

কি দিওঁ তাইক?
কি পালে সুখে ভিৰ কৰিবহি মোৰ প্ৰিয় নাৰীৰ বুকুত?
এটা দামী তেজৰঙী গোলাপৰ থোপা
নে এটি বিয়াগোম পুতলা?
পুতলাৰ দৰে নিষ্প্ৰাণ সুখবোৰ
জানো তাইৰ হৃদয়ৰ জোখাৰে হ’ব?
কি দিওঁ তাইক?
তাইতো নাজানে-
তাইৰ এই অকিঞ্চন প্ৰেমিকৰ যে হৃদয়খনেই সম্পত্তি...
কি যঁচা যায় মোৰ প্ৰেমক?
কোনে আহি বিশ্বাসৰ এখনি হাত থ’লেহি মোৰ কান্ধত?
কোনে আহি মোৰ কাণত ক’লেহি-
‘হৃদয়খনেই নিদিয়ানো কিয়?
সযতনে ৰাখিম আমৃত্যু, মোৰ বুকুৰ নিভৃত কোণত!’



কবিতা

## মোৰ দেশত ব’হাগৰ ৰং

**— দীপ্তি মণি গোস্বামী**

অসমত উৎসৱৰ উঠিছে
পাৰভঙা আনন্দৰ সেউজবুলীয়া ৰোল,
প্ৰণয়ৰ ঢৌ সিঁচা ব’হাগে সকলোৰে হৃদয়ত
ঢালিছে যৌৱনৰ মাদকতাভৰা আমেজৰ বোল।
সেউজবুলীয়া জেতুকাই বঢ়াইছে নিজৰ ৰং,
পৰজীৱী কপৌৰ পাহিয়ে চৰাইছে ৰূপৰ ৰহন।
নাহৰ, তগৰো পিছ পৰি ৰোৱা নাই-
সিঁচিবলৈ আমোলমোল আত্মদেহৰ মৃগনাভিৰ গোন্ধকণ।
বুকুত এবুকু প্ৰণয়ৰ মৌচাক গঢ়ি
ৰংমন ওলাইছে মুকলি বিহুৰ থলীলৈ;
চেনেহীজনীৰ হৃদয়ত তোলপাৰ লগাবলৈ-
ম’হৰ শিঙৰ পেঁপা, সুতুলি আৰু মোহন বাঁহীটি লৈ।
হাতত ঢোল, খোপাত পিন্ধাবলৈ কপৌৰ পাহী
আৰু হৃদয়ত এসাগৰ মৰম লৈ...।
বিহুবলীয়া যশস্বী হেমাংগ বিশ্বাসৰ কথাৰে-
‘যি বিহু গীতত নাই, সি অসমত নাই;
যি অসমত নাই, সি বিহু গীতত নাই।’
সজাল বৰষুণে জীপাল কৰা যৌৱনা পৃথিৱীৰ বুকুত
ফুলি উঠিছে, বাজি উঠিছে এটি হেঁপাহৰ গান;
প্ৰেমিক বসন্তৰ বাঁহীৰ সুৰত গজি উঠা-
এটি মধুৰ গান, মোৰ আপোন ব’হাগৰ গান।
বৰনদী ব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ ৰংমন-ৰঙিলীৰ
প্ৰেমৰ ডিঙৰাত ন-ফুলৰ আশা কলি মেলিছে;
দেহ-মন উতলা কৰা উপত্যকাত
সেউজী সপোন ৰচাৰ বাট বুলিছে...।
কৃষকৰো বুকুত মুখৰিত স্পন্দন,
কুলিৰ মাতত জাগিছে এক নতুন শিহৰণ;
সপোন ৰাজ্যৰ চকুত ভাহিছে-
শাওণৰ ৰ’দৰ সেই তীব্ৰ আলিংগন,
আৰু নিমিষতে মুখৰিত হ’ব ধৰা-
নদন-বদন সেউজীয়া শীতল দলিচাখন।

## বিৰহী ব’হাগ

**— জুমী চিৰিং**

কুলি-কেতেকীয়ে ইনালে- বিনালে
বিৰিখে বিৰিখে কুঁহিপাত মেলিলে
নেঘেৰী-খোপাতে কপৌফুল ফুলিলে
ধনৰ ঢোলৰ মাতে ব’হাগীক আদৰিলে।

আশাৰ গগনা বুকুতে বাজিছে
কবিতা ফুলবোৰ মনতে মৰহিছে
অবুজন মনে একোকে নামানে
শয়নে-সপোনে তোমাকে বিচাৰে।

মৌন ওঁঠত চিনাকি ভাষা
সেই ভাষাৰে সাজিছো পঁজা
তাহানি কলং পাৰত সজা
শব্দ ছন্দৰে জীৱন গাথা।

শুকান পাতবোৰ সৈতে প্ৰতিশ্ৰুতি
পাহৰণি চাকনৈয়াত স্মৃতি পাপৰি
মোৰ উৰুখা পঁজাটি গৈছে উৰলি
মাথোঁ তিতিছো আৱেগৰ গধূলি।

## ব’হাগ তুমি আহিবা

**— কৰবী গগৈ দুৱৰা**

তুমি অহাৰ উমান পায়
ফাগুনে লঠঙা কৰা
নাহৰ জোপা পুনৰ
ন-কুঁহিপাতে আৱৰি ধৰিছে।

তুমি অহাৰ বাবে
মোৰ পদূলিৰ
কপৌ জোপাই হাঁহিছে
মতলীয়া মনটো যে
এতিয়া তোমাৰ অপেক্ষাত।

তুমি আহিবা
বসন্তৰ এজাক সুৰীয়া
বতাহৰ স’তে,
তুমি আহিলে
সেউজীয়া জেতুকা পাতৰ
ৰঙেৰে  লিখিম
তোমাৰ ঠিকনা।

## তিনিশৰীয়া কবিতা

**— ৰফিক উদ্দিন**

(১)
মিস্ত্ৰী কিম্বা মেকানিকৰ হাতৰ পৰশত
ন-ৰূপত সাজি উঠে নাও অথবা অ’টৰিক্সা;
ক্ষুব্ধ জনতাৰ হাতোৰাই ভাঙিব পাৰে বিশাল ইমাৰত।

(২)
পানী নসৰকা সুন্দৰ কলপাত
ফাল্গুনী বতাহৰ কোবত আজি চিৰাচিৰ;
হায়! ভক্তৰ মুখতো আজি তলা ওলমিল।

(৩)
লঠঙা ডালত ওলমি থকা তেজৰঙী শিমলু
ফাগুনৰ ৰঙীন আৱেগত আজি মতলীয়া;
মলয়া বতাহত ওপঙি নকৰিবা কেতিয়াও আত্মসমৰ্পণ।

## অমানিশাৰ শেষ প্ৰহৰ

**— মঞ্জিত হাজৰিকা**

ৰ’দৰ নদীত স্নান কৰি এন্ধাৰত লীন হোৱা বসন্তটিক
সোঁৱৰণিৰ সাঁচিপাতত কালে লিখি থ’ব
আৰু কিছু প্ৰহৰৰ পৰত
বিযে বিধৌ বসন্তটিৰ কোঁহে কোঁহে বৈ থাকিব বিহ নদী

পাহৰণিৰ কালিমাই ঢাকিব নোৱাৰা স্মৃতিৰ বিড়ম্বনা
ৰ’দৰ নৈতো এন্ধাৰ সাঁতুৰি ফুৰে
পানীকেঁচুৱা এটিকো হিংসাই আৱৰি ধৰে

সময় নৃশংস নে জ্ঞান!!
ভোক বলৱান নে ভোগ!!
আইন...

মৃত্যুৰ নিৰ্দয়তাত ডুবি থাকোঁতেই
কালত কালিমা সানিলে কালে
হেৰুৱাৰ বেদনাত জ্বলি থাকোঁতেই বেদনাৰ জুই দুগুণে জ্বলিলে
আমি হেৰুৱালো কি?
গানৰ ঈশ্বৰ
প্ৰাণৰ ঈশ্বৰ
আমাৰ ঈশ্বৰ

অমানিশাৰ শেষ প্ৰহৰত আমি কাক দোষীম
সময়ক নে লোভক
এই বসন্ততে হেৰুৱাৰ সংখ্যা সৰ্বাধিক
আৰু আছেই বা কি হেৰুৱাবলৈ?

ঈশ্বৰ পুত্ৰক হেৰুৱাই আমি মৰ্মাহত
তেওঁৰ ঊৰ্ধ্বত কোন?
আমি আমাৰ সূৰ্যক হেৰুৱালোঁ
আমি আমাৰ অভিভাৱক হেৰুৱালোঁ
আমি আমাৰ ঈশ্বৰক হেৰুৱালোঁ

আৰু কিছু পৰ অমানিশাৰ শেষ প্ৰহৰলৈ
ৰ’দৰ নৈত সাঁতুৰি ৰ’দে আনক সুদিন
ঈশ্বৰ পুত্ৰৰ আদৰ্শৰে আদৰ্শৱান হওক প্ৰতিজন
মুদি থকা চকুবোৰ মেলক
টোপনিৰ ভাওজোৰাবোৰ জাগক
আগন্তুক নৱবৰ্ষতেই ঈশ্বৰ পুত্ৰই ন্যায় পাওক!

## জেতুকা

**— দীক্ষা শইকীয়া**

ৰাঙলীয়ে দুহাত মেলি আজি জেতুকা লৈছে
সেউজী দলিচাত।
চ’তে গৰকী পাৰ কৰা ব’হাগো যেন
মনৰ চোতালত
দূৰৰ পৰা ৰিনিকি ভাহি আহিছে
‘মোৰ মৰমৰ ব’হাগ’
ঢোলৰ মন গ’লা মাতত।
ব’হাগ জানো আকলুৱা! নে ৰঙালীৰ ৰহন সনা
মনবোৰৰ ভাবনা!
তাঁতৰ মাকো বাৰে বাৰে সৰি পৰি
জাননী দিছে
মনবোৰৰ উগুল-থুগুল ভাষা
স্বৰ্গদেউৰ পদূলিৰ কপৌফুল পাহৰো
দেহৰ আমোলমোলনি
ভাবনাৰ সাগৰত জেতুকাই
মৰমৰ বুল দি কৈ গৈছে
ব’হাগ অহাৰ দিনৰ মন পৰশা কথা।

## ব'হাগৰ আগমন

**— কুইন কৌশিক শৰ্মা**

সৌৰা সুদূৰত শুনিছোঁ আজি
ঢোলৰ গুমগুমনি,
ব'হাগৰ আগমনত
কুলিটিয়েও মাৰিছে কিৰীলি।

হেৰৌ ঢুলীয়া ঢোলটি
এবাৰলৈ বজাইটো শুনোৱা,
নাচো মই মন প্ৰাণ খুলি
বৈ যাওঁক আজি বাটৰ বাটৰুৱা।

জেতুকাবুলীয়া দুহাতেৰে
যাচি দিওঁ যদি তোমাক
হেঁপাহৰ বিহুৱানখনি,
তুমিও মোক দিবানে বাৰু
চেনেহতে খোপাত এপাহি
কপৌফুল গুজি।

ব'হাগৰ আগমণত মই বৈ থাকিম
তুমি অহালৈ বাটে চাই
আহিবা তুমি সেই বাটেৰে
য'ত ফুলি ৰ'ব
এপাহি মৰমৰ খৰিকাজাঁই।

## ব'হাগৰ গীতাঞ্জলিত এভুমুকি

**— ৰিতুপৰ্ণ শৰ্মা**

প্ৰণয়ৰ ঢৌ সিঁচা ব'হাগৰ আমেজ
যৌৱনৰ মাদকতা ভৰা ঝংকাৰ
কপৌ পাহিয়ে নিজৰা বিয়পাব প্ৰেমিকৰ অন্তৰ
নাহৰ, তগৰৰ উপসিৰাত সাঁতুৰিব পকনীয়া আশা
জেতুকাৰ সৃষ্টিৰ জীৱন কলাৰ ভাবনাৰ মোহ
জীপাল বৃষ্টিয়ে মন আঁজোৰা সেমেকা মজিয়া
ঠেৰেঙা লগা শীতৰ মৃগনাভিৰ ৰূপৰ ৰহন
প্ৰকৃতিৰ ন-ফুলৰ ৰাঙলী আভাসৰ দলিচা
ৰঙা শিমলুৰ পাৰভগা আনন্দ
শিমলুৰ উদং বুকু সজীৱন হ'ব
ব'হাগৰ স্পৰ্শ আতুৰা জিৰিক জিৰিক বাঁহীৰ সুৰ
ব'হাগৰ আৱেগে টগবগাই যৌৱনৰ মধুৰ ক্ষণ
ব'হাগত জী উঠা কপৌৰ শিহৰণ ধ্বনি
জীৱন জীয়াৰ অনন্য যাত্ৰা
কলিজাত ৰহন সনা নাচনীৰ নূপুৰ দৃষ্টিভংগী
নাচনীৰ নাচত উত্তাল সমগ্ৰ
ৰিঙা ৰিঙা মাতেৰে যৌৱনৰ আগজাননী দিছে
ব'হাগৰ ডোলে সিঁচি দিয়া প্ৰণয়ৰ পুষ্পবোৰ
মানসপটৰ স্মৃতিত আপোন ব'হাগ
সেউজ সপোন ৰচাৰ বাট বুলিছে
দেহ-মন উত্তাল কৰা ব'হাগৰ ভৰুণ বুকু।

## নতুন

**— জীৱনজ্যোতি শৰ্মা**

ফটা চোলাটো সলাই লোৱা যাওক
চোলাটোৱে নিজেই ক'লে
ফাগুনৰ ধূলিয়ে লেতেৰা কৰা চোলাটো
দুটামান ব'হাগৰ আগৰে

চোলাৰ দৰেই সলাই ল'ব পৰা হ'লে মনবোৰ
অথবা মানুহবোৰ

এইবাৰ তুমি গামোচা ব'ব নালাগে
পাৰিলে ৰুমাল এখনকে সী দিবা

মোৰ গাটোৰ অসুখ-
বহুদিন হ'ল বতাহ, বৰষুণ এজাক অহা নাই
ধুমুহাই যদিহে বিধ্বস্ত কৰে মানুহৰ বিষাক্তবোৰ

ব'হাগৰ অংক বহীত
নতুনৰ সমীকৰণটোৰ
এতিয়াও উত্তৰ ওলোৱা নাই

ঈশ্বৰপুত্ৰ...।



## বিহুৱান অসমীয়াৰ স্বাভিমান

**— মালবিকা দেৱী**

অসমীয়াৰ চিনাকি বিহু আমাৰ তিনিটা
ব'হাগৰ বিহুত কান্ধত লওঁ বিহুৱান।
বিহু অসমীয়াৰ মান
বিহুৱান অসমীয়াৰ স্বাভিমান।
অসমীয়াৰ চিনাকি কান্ধত গামোচাখনি
বিহুৰ দিনা ডেকা-বুঢ়া সকলোৰে
কান্ধত জিলিকি থাকে ৰঙা ফুলাম বিহুৱান।
আমি অসমীয়া ছোৱালী
তাঁতশাল আমাৰ চিৰ লগৰী
তাঁতশালত ৰঙা বগা সূতাৰে
মৰমৰ দীঘ আৰু চেনেহৰ বাণিৰে
ব কাটি উলিয়াও
অসমীয়াৰ স্বাভিমান ৰঙা ফুলাম বিহুৱান।
বিহুৰ দিনা পুৱাই উঠি গা ধুই আহি
গৰুক গা ধোৱাব যায় কান্ধত লৈ বিহুৱান।
বিহুৰ দিনা সৰুৱে ডাঙৰক দিয়ে বিহুৱান
ডাঙৰেও সৰুক দিয়ে মৰম আৰু আশীৰ্বাদ।
বিহু অসমীয়াৰ সংস্কৃতিৰ মান
বিহুৱান অসমীয়াৰ স্বাভিমান।
বিহু আমাৰ আদৰৰ বিহু আমাৰ চেনেহৰ
বিহুৱানৰ আদৰ আছে অসমীয়া সমাজত।
অসম থকালৈকে বিহু জীয়াই থাকিব
অসমীয়াৰ স্বাভিমান বিহুৱানো থাকিব।

## ব'হাগ

**— প্ৰীতি পংকী গগৈ**

বৰষুণৰ পৰশত
লঠঙা ডালকেইটাত
ন-কুঁহিপাতে পোখা মেলোতেই
কাণে কাণে বসন্তৰ বতৰা দিলেহি

আমে মলিয়ালে
কঁঠালেও মুচি পেলালে
অথচ
আজিলৈ
মোৰ কাণত বাজি নুঠিল
কুলিৰ মিঠা মাত

তাঁত শালৰ বস্তুকেইপদো
পৰি ৰ'ল ধোঁৱা চাঙত

তথাপি বসন্তৰ সৈতে
ব'হাগী আইক আদৰিবলৈ সাজু
পদূলিৰ তগৰ জুপি,
তামোল গছৰ কপৌ পাহি

আয়েও কালিৰে পৰা
ঘৰৰ আগফালৰ পৰা পিছফাললৈ
বেৰকেইখন ৰঙামাটিৰে
ৰঙীন কৰিছে
পিতায়েও পিছ পৰি ৰোৱা নাই
ঢোলৰ বৰটিকে আদি কৰি
গগনা, বাঁহী, টকা
আৰু মহৰ শিঙৰ পেঁপালৈ সাজু পিতাই

ঢেঁকীশালতো পেহীদেউহঁতে
হাঁহিৰ খলকনিৰে ব্যস্ত
পিঠাপনা, জলপান আয়োজনত...।

## চেনাইৰ অপেক্ষাত

**— সবিতা গগৈ**

এইবাৰ ব'হাগত
আহিবানে চেনাই
এমুঠি ৰং সিঁচিবলৈ
খোপাত কপৌফুল গুজিবলৈ।

কুলি, কেতেকীও আহি বালিঘৰ সাজিলে
লঠঙা ডালবোৰেও সেউজীয়া আৱৰণ পিন্ধিলে।
ঢোল, পেঁপা, গগনাৰ মাতত চৌদিশ মুখৰিত
মাথোঁ উকা উকা মোৰ চোতাল।

শিঙৰা নৈ খন গাভৰু হৈছে
উদবাউল হৈ পৰিছে বতাহজাক।
তৃষ্ণাতুৰ হৃদয়ত উতনুৱা বা
আহিবানে চেনাই এবুকু প্ৰতিশ্ৰুতি লৈ।

পলাশে ৰিঙিয়াই বসন্তক মাতিছে
ব'হাগৰ কপৌজনীয়ে প্ৰেমৰ বতৰা আনিছে।
ময়ো যে ব'হাগৰ আজন্ম প্ৰেমিকা
তোমাৰ অপেক্ষাত সমাহিত।

## নষ্টালজিক

**— শেৱালি বৰঠাকুৰ গোস্বামী**

ব'হাগৰ বিহুতে ডাকোৱাল ককাইলৈ
বৰকৈ মনত পৰে
ডাকোৱাল ককাইয়ে
কঢ়িয়াই অনা চিঠিখনিত
কিমানৰ যে আৱেগ থাকে।

নীলা খামৰ চিঠিখনিত
গাঁঠি দিয়া ফুলৰ পাহি
চেনায়ে মৰম গোটা গোটা আখৰত
হেঁপাহ পলুৱাই লিখা আছেনে মনত
ডাকোৱাল ককাইৰ ছবিখন
হেঁপাহৰে বাট চাই থকা।

পেডেল মাৰি মাৰি
কেৰ কেৰ শব্দ কৰি
পিঠিত কাপোৰৰ মোনা
চাইকেলৰ কেৰিয়াত নথি-পত্ৰ
এশ-এবুৰি চিন্তা।

মুগাবৰণীয়া ইউনিফ্ৰম যোৰেৰে
ডাকঘৰৰ মোহৰ মাৰি
পদূলি মুখতে টিলিঙা কোবাই
পলম নকৰি চিঠিখন লোৱাহি বুলি।

ভৰ বাৰিষাৰ ৰ'দ-বৰষুণে
ডাকোৱাল ককাইৰ ভাগৰে নধৰা দেহা
পুত্ৰৰ খবৰ আই পিতাইলৈ
চেনাইৰ চেনেহীলৈ
মানৰ সেৱাৰ আন এটা নাম
ডাকোৱাল ককাইৰ পেচা।

মনত পৰি নষ্টালজিক হওঁ
ডাকোৱাল ককাইয়ে কঢ়িয়াই অনা
চিঠি পঢ়ি পঢ়ি আপ্লুত হোৱা
সেই দিনবোৰৰ কথা।

## ব'হাগৰ ৰং

**— ফুলকণ দেৱী**

এই বেলি ব'হাগ
ৰংহীন হ'ল
ৰঙালীৰ ৰঙবোৰ
সাগৰত বিলীন হ'ল।
জানমণি, অঞ্জনা
বিশ্বলৈ নোযোৱা হ'ল
ডালৰে কপৌফুল
ডালতে ৰ'ল
নেঘেৰী-খোপাটো
উকা হৈয়ে ৰ'ল।
কুলি-কেতেকীৰ
সুৰীয়া গীতত
তোমাক হেৰুৱাৰ দুখ
তুমি অবিহনে
ৰঙালীৰ নাই যে
অকণো সুখ।
গোমা বতৰেও
পাতিছে ঠেহ,
সোনাপুৰত বৰ্ষা স্নাতা
তোমাৰ নিঠৰুৱা দেহ।
তুমি নাই মানে
ৰঙালীৰ উছাহ নাই
ঢোলৰ চাপৰত,
পেঁপাৰ মাতত
জীৱন হেৰুৱা নাই
মনলে ব'হাগ অহা নাই।

## বসন্তৰ সুগন্ধি বাট

**— মৃদুস্মিতা বৰা**

বসন্ত ৰূপান্তৰৰ এটি গান,
সেউজীয়া আভৰণ পিন্ধি প্ৰকৃতিৰ বুকুত বসন্ত নামিছে,
ৰিবৰিব বতাহৰ মৃদু কঁপনিত মনৰ চিলাখনি সঘনে উৰিছে,
আকাশে-বতাহে বিয়পি পৰিছে চৌদিশে
কুলি-কেতেকীৰ মধুসনা মাত।

হৃদয়ৰ পৰিধি ভাঙি নামি আহিছে বসন্তৰ উতলা বান,
তুমিয়েই চেনেহী মোৰ হৃদয়ৰ সেউজীয়া গান,
বন্ধ খিৰিকীৰ সিপাৰে
বৈ আছে মোৰ বাবে বৰ্ণময় বসন্ত... !
মাজনিশা তুমি শুনিছানে প্ৰেয়সী বসন্তৰ ৰঙীন আলাপ?
তুমি আহি খুলি দিবানে
মোৰ বাবে বসন্তৰ এটি বৰ্ণিল বাট।

তুমিতো জানাই প্ৰেয়সী তেজৰঙা ফাগুনৰ বুকুত
সৰাপাতে আঁকি লয় বসন্তৰ এটি ৰঙীন কেনভাছ,
অস্ত আকাশৰ নিলীম বুকুত
কোনে সানি দিলে বাৰু বসন্তৰ ইমানবোৰ ৰং... ?
তুমি কোৱাচোন প্ৰেয়সী
তোমাৰ কপৌফুলীয়া ওঁঠত সানি ল'বানে বৰ্হমথুৰিৰ সেই বেলিমুৱা ৰং?

যাচি দিবাহিনে তুমি মোক গুটিফুলৰ ফুলাম বিহুৱানখন?
তুমি দেখিছানে বাৰু মোৰ হৃদয়ৰ পদূলিৰে নামি আহিছে বসন্তৰ প্ৰথমজাক বৰষুণ,
প্ৰাপ্তিৰ সুবাসত যেন আজি মই মতলীয়া হৈছোঁ... !
প্ৰেয়সী, তোমাৰ ৰাগী লগা দুচকুৰ সীমনাত মই ক্ৰমশঃ হেৰাই গৈছোঁ।

চ'তে সৰাই নিয়া সেউজীয়া পাতত বিয়পি
পৰিছেহি বসন্তৰ নিৰিবিলি গান,
বুকুত বসন্তৰ গজলিবোৰে নীৰৱে পোখা মেলিছে... !
শীতৰ জুহালত বহি সৰাপাতে বসন্তৰ কবিতা লিখিছে,
আধা ভিজা আবতৰীয়া বৰষুণজাকে
হঠাতে আহি তিয়াই নিছে বৰণীয়া বসন্তৰ সুগন্ধি বাট।

## অনুভৱতেই তুমি

**— ডাঃ জোনালী দত্ত**

তুমি অনুভৱতেই থাকা
নাহিবা ঘনায়মান নিষ্ঠুৰ বাস্তৱৰ স্পৰ্শলৈ;
পোৱা-নোপোৱাৰ খতিয়ান বিচাৰি,
মান-অভিমানৰ হৃদয়হীনতাক আগুৰি,
বাস্তৱ আৰু সন্দেহৰ দোমোজাত
যন্ত্ৰণাকাতৰ উশাহ ল'বলৈ
তুমি অনুভৱতেই শ্ৰেয়;
মোৰ প্ৰেমৰ বাঁহীৰ সুৰত,
মোৰ প্ৰত্যয়, মোৰ প্ৰত্যাশাৰ
মোৰ অনুভৱী ব'হাগৰ সাতোৰঙী হৈ,
আকলুৱা হৃদয়ৰ কোঠাত
সুছৰীয়াই জীৱনৰ গান।
চকুত থ'লোঁৱেই যেনিবা চকু
কাহানিও ছন্দ হেৰুওৱাৰ বাটত
তুমি নতুন অভিধান নোহোৱা
অত্যুজ্জ্বল ৰঙে তৰিব নোৱাৰা ৰিক্ত হৃদয়ত
সংগোপনে বাঢ়ে
অলিখিত গাথা।
অপেক্ষা যন্ত্ৰণাদায়ক
চিৰন্তন।

## প্ৰশ্নবোধক

**— পাপু মজুমদাৰ**

ডাৱৰৰ মন গধুৰ
নে কবি উদাসীন?
কোনে কাৰ খবৰ লয়!
ব্যস্ত জীৱনৰ গল্পত
ভাললগা মুহূৰ্তবোৰ,
সময়ৰ চকুত
হয়তোবা একেবাৰেই মূল্যহীন...।

## মকৰা

**— গৌৰৱ বৰঠাকুৰ**

কোনোবাই কয়-
মই হেনো একঘেয়ামি...!
তেনেহ'লে সেইটোৰেই সত্য;
কাৰণ মই নিজক পাওঁ
ভালদৰে চিনি।
তোমাৰ বাবে আজীৱন মই
এক মকৰা হৈ ৰ'ম!
যিমান বাৰ ছিঙিবা
সিমান বাৰেই গুঠি যাম জাল,
ভৱিষ্যতৰ বাবে।
পাৱা যদি মোৰ ভঁৰাল
উদং কৰি পুতি পেলোৱা
তোমাৰ শব্দবোৰ!
তোষামোদ, খামখেয়ালি,
বিশ্বাসঘাতকতা ইত্যাদি ইত্যাদি!

৩ পৃষ্ঠাৰ পৰা ■ কেতিয়াবা কিছুমান কৰ্মই মানুহক শাৰীৰিক আৰু মানসিকভাৱে দুৰ্বল কৰিব পাৰে; তেনে সময়ত জিৰণি, ধ্যান আৰু ব্যায়ামৰ জৰিয়তে পুনৰ শক্তি সঞ্চয় কৰি সংগ্ৰাম অব্যাহত ৰাখিলেহে সুখৰ অনুভূতি পোৱা যায়।


ঈশ্বৰে দিন আৰু ৰাতিৰ সৃষ্টি কৰাৰ আঁৰতো চাগে এক গভীৰ উদ্দেশ্য আছে। দিনটো সংগ্ৰাম কৰাৰ পিছত ৰাতিটো বিশ্ৰামৰ বাবে অতি প্ৰয়োজনীয়। অবিৰতভাৱে দিনে-ৰাতিয়ে পৰিশ্ৰম কৰিলে মানুহ ৰুগীয়া হোৱাৰ সম্ভাৱনা থাকে। পুৱা সোনকালে উঠি খোজ কাঢ়িলে দেহটো দিনটোৰ বাবে পাতল লাগে, কিন্তু দেৰিকৈ উঠিলে শৰীৰত এক গধুৰ ভাব অনুভৱ হয়।

সময় কাৰোঁ বাবে বৈ নাথাকে। আমি সময়ৰ কাম সময়ত কিদৰে কৰিছোঁ, তাৰ ওপৰতেই আমাৰ সফলতা নিৰূপণ হয়। ৰাতিপুৱাৰ পৰা নিশা বিচনাত নপৰালৈকে আমি প্ৰত্যেকেই সময়ৰ সৈতে যুঁজি আছোঁ। এই যুঁজৰ ফলাফল এদিন জীৱন আৰু সমাজৰ প্ৰতিচ্ছবি ৰূপে প্ৰতিফলিত হয়। সঁচাকৈ ক'বলৈ গ'লে- সময়ৰ নিজা কোনো নাম নাই, আছে কেৱল সময়ত কৰা কামৰ দাম। সুস্থ আৰু উচ্চ চিন্তাৰে গঢ় দিয়া মুহূৰ্তবোৰেই ভৱিষ্যতৰ বাবে অমূল্য স্মৃতি হৈ ৰয়। বয়স বঢ়াৰ লগে লগে এই সময়বোৰেই আমাক অতীতৰ শ্ৰমদানৰ কথা সোঁৱৰাই দিয়ে। সেয়েহে সময়ৰ সদ্ব্যৱহাৰ কৰিলেহে জীৱনত সুখ আৰু সন্তুষ্টি লাভ কৰিব পাৰি।

একমাত্ৰ সময়েহে আমাক জীৱন সংগ্ৰামৰ মূল্য বুজাই দিয়ে। মানৱ জীৱনত সময়ৰ ব্যৱহাৰ অতি গুৰুত্বপূৰ্ণ, কাৰণ ইয়াক কোনো ধনেৰে কিনিব নোৱাৰি। সময়ৰ কোনো বঢ়া-টুটা নাই; ইয়াৰ সদ্ব্যৱহাৰ সম্পূৰ্ণৰূপে আমাৰ ওপৰত নিৰ্ভৰ কৰে। দৈনন্দিন জীৱনত সময়ৰ সৈতে খোজত খোজ মিলাই গ'লেহে সফল হ'ব পাৰি। সময়ৰ সোঁতত ঘটা ঘটনাৱলীয়ে আমাক এনে কিছুমান মূল্যবান অভিজ্ঞতা দিয়ে, যিবোৰ কোনো ধন-সম্পত্তিৰে কিনিব নোৱাৰি। গতিকে সময়ৰ প্ৰতি লক্ষ্য ৰাখি আমি কৰ্ম কৰি যাবই লাগিব। সময়ৰ নাম নাথাকিলেও, সময়মতে কৰা কৰ্মই আমাক উচিত মৰ্যাদা দিয়ে আৰু জীৱনটোক সফল তথা সুন্দৰ কৰি তোলে। ■

## এইবাৰ ব'হাগত তই আহিব পাৰিবি নেকি ?

**— দিব্যজ্যোতি ৰাজখোৱা**



এইবাৰ ব'হাগত তই আহিব পাৰিবি নেকি ?
বছৰ বছৰ ধৰি পোত যোৱা মনৰ অমতহীন ভালপোৱাবোৰ
এই ব'হাগতে তোৰ কৰি লোৱাৰ কথা ভাবিছিলোঁ।

তগৰৰ সুগন্ধ খোপাত পিন্ধি আহিবি নহ'লে এপাক দিখৌৰ পাৰলৈকে...

হাতত লগাই আহিবিচোন জেতুকাৰ বোল,
ওঁঠত বোলাই আনিবি মেজাংকৰিৰ ৰং,
ভাল লাগিব,
ৰিহাৰ মেৰে, মুগা মেখেলাৰ ঘেৰে তোৰ লাহী ককালটোও ভাল লাগিব।

এই ব'হাগতে আহিবিচোন তই,
তই আহিলে এইবাৰ এপোৱা মাটি আহাৰত বেছিকৈ চহাম,
দহোটাকৈ আলি বেছিকৈ দিম,
পথাৰৰ সেউজীয়া-হালধীয়া সকলোবোৰ তোৰ নামত সিঁচিম।
তই বাৰু আহিবিনে ?

এই ব'হাগতে, পকা বেৰে
নকৈ ঘৰৰ কোঠালি এটা সজাম,
পাৰিলে পদূলিৰ নঙলা গুচাই এখন পকী তোৰণো লগাম।

পাৰিলে তই সঁচাকৈয়ে আহিবিচোন এই ব'হাগতে,
চাই যাবিহি এবাৰ চেনাইক,
চাই যাবিহি যোৰছিঙা চুৰিয়াখনৰ ওপৰত মেৰাই পিন্ধা মোৰ ক'লা পেণ্টটো,
চাই যাবিহি খহি পৰিবলৈ ধৰা ভগা জুপুৰিৰ মেৰটো,
চাই যাবিহি তোৰ লাজতে লুকাই পৰা
তগৰ জুপিৰ পাতবোৰো...

ঐ শুনচোন,
নাপাহৰিবি,
মোৰে শপত...
এই ব'হাগতে আহিবি দেই তই।

## লুইতৰ হিয়াৰ স্পন্দন, ব'হাগ

**— অনুস্মিতা চক্ৰৱৰ্তী**

আকাশত মেঘৰ গাজনি, ধৰাত বৰষুণৰ টোপাল,
ব'হাগ আহিল বুলি ক'লে প্ৰকৃতিয়ে সলায় ছাল।
নাহৰৰ কোমল কুঁহিপাতত ৰঙা ৰঙৰ মেলা,
কপৌফুলৰ সুবাসত মতলীয়া হ'ল বিহুৱানৰ বেলা।
ঢোলৰ গুমগুমনি উঠিল আকাশ কঁপি লৈ,
ডেকা-গাভৰুৰ হিয়াত আশাৰ চাকি জ্বলাই থৈ।
পেঁপাৰ সুৰত বাজি উঠিল শিপাৰে মৰম,
ব'হাগ মানেই দেখোন আমাৰ অসমীয়াৰ ধৰম।
তগৰ ফুলৰ পাহি যেন কৈশোৰৰ সেই স্মৃতি,
জেতুকাৰ ৰঙে বোলালে হাতৰ প্ৰতিটো ভাজৰ প্ৰীতি।
গগনাৰ লহৰত কঁপি উঠে নাচনীৰ কঁকাল,
বিহুৰ চোতালত দেখোঁ আঘোণৰ সোণালী সপোনৰ কাল।
গৰু বিহুৰ পুৱা চাট-বিচাট বাঢ়নীৰ লৰা-ঢপৰা,
দীঘলতি-মাখিয়তিৰে গৰুৰ গাত সানি দিয়া মৰমৰ পৰা।
'লাও খা, বেঙেনা খা' বুলি কৰা সেই আশীৰ্বাদ,
প্ৰতিটো বিহুৱাই জানে ইয়াৰ কিমান সোৱাদ।
মানুহ বিহুৰ দিনা নতুন সাজৰ হেন্দোলদোপ,
ককাদেউতাৰ আশীৰ্বাদত থাকে পবিত্ৰ এক চোক।
পিঠাপনাৰ গোন্ধত আমোলমোল অসমীয়াৰ পাকঘৰ,
ব'হাগ মানেই একতা, নাই কোনো আপোন-পৰ।
বিহুৱতীৰ খোপাত গুজি থোৱা ৰঙা কপৌ পাহি,
তাৰে আঁৰতে লুকাই থাকে অসমৰ ৰঙীন হাঁহি।
খোপাত গুজা সেই ফুলপাহিয়ে কয় অনেক কথা,
ব'হাগ আহিলে নাইকিয়া হয় মনৰ যতেক ব্যথা।
লুইতৰ পাৰত আজি বিহুৰ ঢল নামিছে,
চহৰ-গাঁৱৰ সকলোৱে আজি একেলগে নাচিছে।
জাতীয় সাজত জিলিকিছে মোৰ সাতামপুৰুষীয়া চিন,
ব'হাগ নহ'লে আমাৰ দিনবোৰো যে হ'ব একেবাৰে খীণ।
ব'হাগ তুমি ৰৈ যোৱা আমাৰ পথাৰৰ মাজত,
ব'হাগ তুমি জীয়াই থাকা প্ৰতিটো ঢোলৰ মাতত।
তুমি আমাৰ গৌৰৱ, তুমি আমাৰ প্ৰাণৰো প্ৰাণ,
চিৰকাল গাই যাম আমি এই ব'হাগৰে জয়গান।

## হেঁপাহৰ ব'হাগ

**— হিমাক্ষী ডেকা**

ৰঙা মদাৰৰ পাহিবোৰে এতিয়া
চোতাল ভৰাইছে ৰঙত,
নাহৰৰ কেঁচা কলিটি মেলিলে মানে
বিহু বিহু লাগিছে গাত।
বৰতা ওলাইছে পথাৰৰ ফালে
চাবলৈ এতিয়া গৰু,
আইজনী বহিছে তাঁতৰ পাতত
মাকোটি চলাই হেনো।
কেতেকী চৰাইৰ মিঠা মাতে
আকুল কৰিলে হিয়া,
তগৰৰ গোন্ধত মতলীয়া হ'ল
সকলোৰে মনটো এতিয়া।
জপনাৰ মুখৰ তগৰজোপাত
ফুলিছে কত যে ফুল,
পেহীয়ে বোলে, সাৱধান সোণটি
ছিঙি নকৰিবি ভুল।
কুলিৰ মাতে যে দিলে সোঁৱৰাই
বিহুটি আহিল বুলি,
চোতালৰ মূৰৰ কপৌফুল পাহি
আজি যে উঠিছে ফুলি।
ধীৰেন ককাইদেৱে গগনা সাজিছে
বিহুলৈ বহুদিন নাই,
দহ টকাকৈ বেছিব হেনো
আছে দিন-বাৰ চাই।
ভাইটিয়ে হাতত বাঁহৰ টকা লৈ
নাচিব খুজিছে ডেও
পেঁপাৰ মাতত গা সাতখন-আঠখন
ৰৈ থাকিব নোৱাৰে কেও।
পেহীয়ে চোতালত বৰাধান ৰ'দাইছে
সাজিব বিবিধ পিঠা,
সকলোকে হেনো যাচিব
মিঠা মিঠা পিঠা।
খুৰাদেউ আহিব চহৰৰ পৰা
লগত আনিব মিঠাই,
নতুন কাপোৰ পিন্ধিবলৈ পাই
মইনাৰ বিৰাম নাই।
চোতালত মিলি ডেকাহঁতে আজি
ঢোলত দিছে চাপৰ,
অসমীয়া আইৰ চেনেহৰ বিহু
আজি নহয় কাৰো পৰ।
ঘৰৰ কাম-বন এৰি থৈ আজি
বিহুৰ গীতটি গাওঁ,
সকলোৱে মিলি ৰঙালীৰ দিনত
শান্তিৰ উশাহ লওঁ।
ন-বছৰে আহিলে বৰষুণ লৈ
ধুৱাই পুখুৰীৰ ঘাট,
বিহুৰ উলাহে চেনেহ যাঁচিলে
আমাৰ চহা গাঁৱত।

১ পৃষ্ঠাৰ পৰা ■

বিহু শব্দটো বিষুৱ শব্দৰ পৰা উৎপত্তি হৈছে বুলি পাই আহিছোঁ। অসমীয়া জাতীয় জীৱনত বিহুৱে সমন্বয়ৰ বাৰ্তা বিলোৱাৰ লগতে ভাতৃত্ববোধৰ এনাজৰীডাল মজবুত কৰি ৰাখিছে। যেতিয়া খেতিয়কসকলে কৃষিকৰ্মৰ ফচলসমূহ ঘৰলৈ কঢ়িয়াই অনা মুহূৰ্তত বিহু গীত, নৃত্য পৰিৱেশন কৰি ফুৰ্তি, ৰং-ধেমালিৰ মাজেৰে প্ৰথমে বিহু পালন কৰিছিল আৰু বিহুৱে বৃহত্তৰ অসমীয়া জাতি গঠনত বিহুৱে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

আমাৰ মাজত যেতিয়ালৈ বিহুৰ প্ৰচলন থাকিব তেতিয়ালৈ অসমীয়াৰ মান-মৰ্যাদা অটুট থাকিব। গতিকে অসমীয়াৰ মান অক্ষুণ্ণ ৰাখিবলৈ হ'লে আমাৰ সকলোৰে বিহুৰ প্ৰতি বিশেষ দায়িত্ব আছে বুলি প্ৰতিজ্ঞাবদ্ধ হ'বই লাগিব কিয়নো প্ৰাৰম্ভিক সময়ত অতীত আৰু বৰ্তমানৰ বিহুৰ মাজত আকাশ-পাতাল পাৰ্থক্য দেখা যেন কিছু অনুভৱ হৈছে।

বৰ্তমান সকলো দিশে প্ৰযুক্তি-বিদ্যাৰ ফলস্বৰূপে হওক বা আন কাৰণত নহওঁক কিয় ভিন্ন দিশত ভিন্নধৰণেৰে সমাজব্যৱস্থা আগবাঢ়ি আছে ঠিক সেইদৰে বিহুৰ ক্ষেত্ৰতো কিছু পৰিৱৰ্তন হোৱা তেনেই স্বাভাৱিক কিন্তু আমি এটা কথা লক্ষ্য কৰিব লাগে যে বিহু সদায় বিহু ৰূপত উপস্থাপন কৰিব লাগে তাৰ পৰিৱৰ্তে যদি বিহুক অধিক আধুনিকীকৰণৰ নামত নানাধৰণেৰে বিহুৰ ক্ষেত্ৰত ৰহন সানিবলৈ চেষ্টা কৰা হয় তেতিয়া আমাৰ অসমীয়াৰ হিয়াৰ আমঠু বিহু বিপথে পৰিচালিত হৈ বিহুৰ অস্তিত্ব হেৰুৱাম বুলি শংকা হয়।

সাধাৰণতে বিহু তিনিটি। ব'হাগ বিহু (ৰঙালী), মাঘ বিহু (ভোগালী) আৰু কাতি বিহু (কঙালী বিহু)। এই তিনি বিহুৰ ভিতৰত 'ব'হাগ বিহু' জনপ্ৰিয়তাৰ শীৰ্ষত। কিয়নো ব'হাগ বিহুই এক সুকীয়া স্থান দখলেৰে বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে।

তাহানিৰ ব'হাগ বিহু বুলি ক'লেই অসমীয়া ডেকা-গাভৰু, বুঢ়া-বুঢ়ী, কণ-কণ ল'ৰা-ছোৱালী উভয়ৰে দেহ-মন ৰঙত নাচি থাকে। ব'হাগ বিহুৰ প্ৰায় এমাহ-দুমাহ আগৰে পৰা বিহুৰ অনুশীলনত ব্যস্ত। ব'হাগৰ প্ৰথম সাত দিনক 'সাত বিহু' বুলি কোৱা হয় আৰু সেই কেইদিন বিহু হুঁচৰি দলসমূহে সকলোৰে ঘৰে ঘৰে গৈ বিহু, হুঁচুৰি গান জুৰি গৃহস্থক আশীবাদ দিয়াৰ এক সুকীয়া পৰম্পৰা আছিল।

চ'তৰ সংক্ৰান্তি অৰ্থাৎ চ'তৰ শেষৰ দিনা 'গৰু বিহু' বুলি কোৱা হয়। গৰু বিহুৰ দিনা গৃহস্থই পুৱাই উঠি গৰুক গা ধোৱাবলৈ নদ-নদী, খাল-বিললৈ নিয়ে আৰু কোনোৱে ঘৰতে গা-ধোৱাই লাও, বেঙেনা খুৱাই দীঘলতি, মাখিয়তিৰে কোবাই ৰঙেৰে এনেকৈ গায়-

*"দীঘলতি দীঘল পাত,*
*গৰু কোৱাই জাত জাত।*
*লাও খা, বেঙেনা খা*
*বছৰে বছৰে বাঢ়ি যোৱা,*
*মায়ে সৰু বাপেৰে সৰু*
*তই হ'বি বৰ গৰু।"*

এনেকৈ গান গাই গৰুক মুক্ত পথাৰত এৰি দিয়ে আৰু সন্ধিয়া জাপদি পদূলিৰ পৰা নতুন পঘাৰে আদৰি গোহালিলৈ সম্ভাষণ জনাই। তাৰ পিছৰ দিনা 'মানুহ বিহু' বুলি কোৱা হয়। সকলোৱে পুৱাই উঠি মাহ-হালধিৰে গা-ধুই সৰুয়ে ডাঙৰক সেৱা, সন্মান জনাই আশীৰ্বাদ লয় আৰু ডাঙৰে সৰুক মৰম-স্নেহ যাচে।

প্ৰকৃতিৰ নিয়ম অনুসৰি গছ, বনে যিদৰে ব'হাগ অহাৰ লগে লগে গছে পাত সলাই ন-সাজেৰে সেউজময় হৈ সুন্দৰ প্ৰাকৃতিক পৰিৱেশেৰে ৰহন সানি যৌৱনত হালিজালি মানুহক আকৃষ্ট কৰি তোলে। ঠিক সেইদৰে মানুহ বিহুৰ দিনা নতুন কাপোৰ পিন্ধা এক পৰম্পৰা আছে। সেই নতুন কাপোৰখনক 'বিহুৱান' বুলি কোৱা হয়। প্ৰতিজন অসমীয়াৰ বুকুৰ আপোন বাপতিসাহোন এই বিহু।

অসমৰ প্ৰত্যেক ঠাইতে বিহু পালন কৰা হয়। সকলোৰে নিয়ম কিছু বেলেগ বেলেগ হয় যদিও সকলোৰে মূল উদ্দেশ্য এটাই। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বিহু পালন কৰা হয় আৰু অসমীয়া প্ৰৱাসীসকলেও সুন্দৰভাৱে বিহু উদযাপন কৰে। কিন্তু প্ৰাৰম্ভিক সময়ত উজনি অসমত বিহুৰ প্ৰভাৱ খুব বেছি প্ৰসাৰ দেখিবলৈ পোৱা যায় যদিওঁ কিন্তু বৰ্তমান অসমীয়াৰ হিয়াৰ আমঠু বাপতিসাহোন বিহু কিছু পৰিমাণে পৃথক হোৱা যেন অনুভৱ হৈছে। বিহুৰ নামত নানা বিসংগতি হ'বলৈ ধৰিছে। বিহু নৃত্য, বিহু গান নতুন ৰূপত সজাই বিহুৰ বিকৃতি অনা বুলি সচেতন মহলত বিশেষ চৰ্চা হৈ থাকে। যদি আমাৰ বিহুৰ ক্ষেত্ৰত বিসংগতিয়ে দেখা দিয়ে তেতিয়া অসমীয়া জাতিৰ কাৰণে এইয়া দুৰ্ভাগ্য আৰু চিন্তনীয় বিষয় হিচাপে পৰিগণিত হৈছে!

গতিকে এই দিশত আমি প্ৰতিজন অসমীয়াই সতৰ্ক থাকি বিহুক বিহুৰ দৰেই অক্ষুণ্ণ ৰাখিবলৈ ঐক্যবদ্ধ হ'বৰ হ'ল। বিহুৰ নামত ৰহন সানি অধিক আধুনিকীকৰণ নকৰি পূৰ্বৰ দৰেই বিহু উদযাপন কৰিম আৰু বিহুৰ মান-মৰ্যাদা হানি হোৱা কোনো কামেই নকৰোঁ বুলি নিজেই নিজক সংকল্পবদ্ধ হ'ব লাগিব। তেতিয়া বিহুৰ কোনো ক্ষতি সাধন নহ'ব বা বিহুৰ ক্ষতি কোনেও কৰিব নোৱাৰিব! তেতিয়া অসমীয়া সংস্কৃতিৰ জীৱনৰেখা বিহুৰ মান-মৰ্যাদা অটুট ৰাখি সগৌৰৱে বুকু ফিন্দাই অসমীয়া বুলি ক'ব পাৰিম। ■

## ব'হাগ বিহু অহাৰ বতৰা পাই

**— স্মৃতি গগৈ বৰুৱা**

ব'হাগ বিহু অহাৰ বতৰা পাই
বৰদৈচিলাজনীৰ গাত ততেই নাই
মাকৰ ঘৰলৈ যাব,
ন সাজেৰে সাজি-কাচি ওলালেই
ব'হাগ বিহুতেই আইৰ ঘৰলৈ গৈ,
ঘূৰি আহিব লাগিব।
গতি দুৰ্বাৰ
ৰবৰ সময় নাই তীব্ৰ বেগেৰে আগবাঢ়ি
গৈ থাকোঁতে মাজবাটত
গছ-গছনি, ঘৰ-দুৱাৰ ভাঙি থৈ যায়।

ব'হাগ বিহু অহাৰ বতৰা পাই
গাঁৱৰ জীয়াৰী-বোৱাৰীহঁতো
ৰৈ থকা নাই,
মাকোৰ খিটখিটনি, গৰকাৰ দপদপনি
এইবাৰ বিহুতে চেনাইধন আহিব,
গুটি ফুলৰ গামোচাৰ ফুল
বাচি হোৱাই নাই।
বিহুৰ তলিত কি সাজেৰে শুৱাব
কি সাজ পিন্ধিলে বা,
চেনাইধনে বিহুৰ বতৰত বেছি ধুনীয়া দেখিব।

ব'হাগ বিহু অহাৰ বতৰা পাই
প্ৰকৃতি দেৱীয়ে নকুঁহি পাতেৰে সজাইছে
নাহৰ, তগৰ, কপৌ,
হাচনাহানা, খৰিকাজাঁইৰ সুগন্ধত
চৌদিশ আমোলমোল কৰি সৌন্দৰ্য বিয়পাইছে।
কুলি-কেতেকীৰ সুমধুৰ কণ্ঠই
সকলোৰে মন ৰোমাঞ্চিত কৰি তুলিছে
ঢোল, পেঁপা, গগনাৰ মাতত
ডেকা গাভৰু, ল'ৰা, বুঢ়া
সকলোৰে গাত বিহু বিহু লাগিছে।

ব'হাগ বিহু অহাৰ বতৰা পাই
গাভৰুহঁতৰ গাত ততেই নাই
জেতুকাৰে দুই হাত বুলাই বিহুলৈ সাজু হৈছে।
পিতায়ো ৰৈ থকা নাই ন পানীৰে গৰুৰ
গা ধোৱাবলৈ লাও, বেঙেনা, থেকেৰা,
দীঘলতি, মাখিয়তি আদি সকলো যতনাই
মৰমৰ গৰুকেইটাক ন ৰছীৰে বান্ধিবলৈ
তৰাৰ পঘা বাটিছে।
নতুন বছৰৰ নতুন আশাই সকলোৰে
মন আনন্দত মতলীয়া কৰিছে।

## জীৱনৰ ঠিকনা

**— চিন্ময়ী গগৈ**

সংগোপনে সাঁচি ৰখা কিছু কথাই,
বুকুৰ কোণত বহি বিষাদৰ বীণ বজায়।
নিৰ্জন ৰাতিৰ চকুৰ লোতকেহে জানে-
আমাৰ আচল ঠিকনা কি!
বিষাদৰ ৰঙীন বাৰ্তাইহে বুজে-
দুখৰ গভীৰতা কিমান!
জীৱন নো কি ?
দুখৰ সাগৰ পাৰ হোৱাৰ এক নিৰন্তৰ প্ৰয়াস...
ব'ঠাহীন নাওখনে জানো জানে
ক'ত তাৰ শেষ সীমনা ?
ঠিক সেইদৰে, আমি এই দুদিনীয়া পৃথিৱীৰ
এজন পথিকহে মাথোঁ।
ব'ঠাহীন নাওখনৰ দৰেই আমাৰো গতি,
ৰামধেনুৰ সাতোৰঙৰ দৰেই
জীৱনৰ ৰঙবোৰো একেই-
মাথোঁ ঠিকনাবোৰহে বেলেগ।
কণ্টকময় পৃথিৱীৰ ঠিকনা ধূলিৰ লগতেই;
মৰি ছাই হোৱা শৰীৰটো এদিন ধূলিয়েই খামুচিব।
বতাহজাকে উৰুৱাই নিব আশাৰ ধোঁৱাবোৰ,
আৰু মেঘৰ সৈতে সংগোপনে মিলিত হ'ম-
এদিন বৈ যাম বৰষুণৰ টোপাল হৈ।
জীৱন-পথৰ ঠিকনা ঈশ্বৰৰ হাতত,
মাথোঁ জীয়াই থকাৰ তাড়নাত
এয়া এক অভিনয়;
জীৱনৰ যন্ত্ৰণাদায়ক অভিনয় এয়া।
জীৱনেই এটি ঠিকনাবিহীন ঠিকনা-
বিয়পি থকা সপোনৰ আখৰা,
শেষ নোহোৱা যন্ত্ৰণাৰ আখৰা...
আমি সকলো এই জীৱন ভাওৰ
একোজন ভাৱৰীয়া মাথোঁ।
'জীৱনেই এটি ঠিকনাবিহীন ঠিকনা'।

৪ পৃষ্ঠাৰ পৰা ■ চিনেমাত থকা সস্তীয়া মাদকতাই আমাৰ ভাৰতীয় সভ্যতা-সংস্কৃতিৰ বিপৰীত ছবিহে দাঙি ধৰিছে। এনে সংস্কৃতিৰ গৰাহত সন্তানে নিজস্বতা হেৰুৱাইছে। তদুপৰি সমাজত বাঢ়ি অহা ধৰ্ষণৰ দৰে জঘন্য ঘটনাৰ পৰা ৰক্ষা পাবলৈ কন্যা সন্তানসকলক মাতৃয়ে সঠিক যৌন শিক্ষা আৰু সচেতনতাৰ জ্ঞান দিয়াটো সমীচীন। নেপোলিয়ন বোনাপাৰ্টে কৈছিল-"মোক তোমালোকে একোগৰাকী ভাল নাৰী দিয়া, মই এটা ভাল জাতি দিম।" ঘৰখনেই শিক্ষাৰ প্ৰথম কঠীয়াতলী আৰু মাতৃগৰাকীয়েই হ'ল প্ৰথম শিক্ষক। মহাত্মা গান্ধীয়ে কৈছিল-"এজন পুৰুষ শিক্ষিত হ'লে এজন লোকহে শিক্ষিত হয়, কিন্তু এগৰাকী নাৰী শিক্ষিত হ'লে এটা পৰিয়াল শিক্ষিত হয়।"

পিতৃ-মাতৃসকলে ঘৰখনত পঢ়াৰ পৰিৱেশ এটা গঢ়ি তোলা উচিত। গ্ৰন্থমেলালৈ নি শিশুসকলক সাধুকথা বা মহৎ লোকৰ জীৱনী কিনি দিব লাগে। পঢ়নৰ দ্বাৰা শিশুৰ ধৈৰ্যশক্তি আৰু মগজুৰ পৰিপুষ্টি সাধন হয়। ওপজা দিনত কিতাপ উপহাৰ দিয়াৰ পৰম্পৰা গঢ়িব লাগে। শৈশৱত পঢ়িছিলোঁ- "পঢ়নৰ পৰা দূৰৈৰ মাণিক হাততে পাব পাৰি।" আজিৰ শিশুৱে বাহিৰা কিতাপ নপঢ়াৰ এটা কাৰণ হ'ল অভিভাৱকসকলে নিজেই ম'বাইলত ব্যস্ত থকাটো।

"মাতৃ দেবো ভৱ, পিতৃ দেবো ভৱ" - এই বিশাল বাণীক সৰোগত কৰি প্ৰত্যেকগৰাকী নাৰী সুশৃংখল সমাজ গঠনৰ বাবে বদ্ধপৰিকৰ হ'ব লাগিব। প্ৰতিযোগিতাৰ দৌৰত আমাৰ শিশুহঁত যাতে কেৱল একো একোটা যন্ত্ৰ (Machine) হৈ নপৰে, তাৰ বাবে আমি সচেতন হোৱা উচিত। আমাৰ ধ্ৰুপদী অসমীয়া ভাষা আৰু ঐতিহ্যক অনাগত সময়লৈ প্ৰৱাহিত কৰি ৰাখিবলৈ নৱপ্ৰজন্মক সঠিক দিশত গঢ় দিয়াত পিতৃ-মাতৃৰ অৱদান অনস্বীকাৰ্য। ■

## বসন্তৰ বতৰা

— ৰাজুমনি গগৈ

লঠঙা গছবোৰে সপোন ৰচিছে,
কুলিৰ বিনন্দীয়া সুৰ;
কেতেকীজনীৰ হিয়াভঙা কান্দোন
আপোন সংগীক বিচাৰি।
ৰঙালীৰ আগমনত প্ৰকৃতিৰ বিনন্দীয়া ৰূপ,
প্ৰকৃতি আজি গাভৰু হ’ল।
জেতুকী বায়ে আগ্ৰহী হৈ বাট চাই আছে
নাচনীজনীৰ হাতত ৰাঙলী হ’বলৈ।
কপৌ-ভাটৌ ফুলবোৰে মূৰ দোৱাইছে
ৰঙালীক আদৰাৰ পূৰ্ণ প্ৰস্তুতিত।
মৰমৰ চেনাইধনে মৰমৰে আনি
গুজি দিব নাচনীৰ খোপাত
হেঁপাহৰ ভাটৌ, কপৌ ফুলবোৰ।
মনৰ হেঁপাহেৰে চেনেহৰ দীঘেৰে,
মৰমৰ বাণিৰে চেনাইলৈ বিহুৱানখনো
আলফুলকৈ সাজু কৰি ৰাখিছে।
ঢোলৰ বৰটি টানি ঢুলীয়াৰ
গা সাতখন-আঠখন!
ম’হৰ শিঙৰ পেঁপাৰ সুৰীয়া মাত;
তৰা গছবোৰেও হালিছে-জালিছে।
মাখিয়তিবোৰ ফুলি জাতিষ্কাৰ,
বৰদৈচিলাজনীৰ গাত ত’ত নাইকিয়া হৈছে;
আউলী-বাউলী হৈ মাকৰ ঘৰলৈ
যোৱাৰ দুৰ্বাৰ হেঁপাহ।
চৌদিশে ৰঙালীক আদৰাৰ প্ৰস্তুতি সম্পূৰ্ণ
বসন্ত ৰাণী, তোমাক স্বাগতম!

## ৰঙালী

— জিণ্টু চাংমাই

ব’হাগ হ’ব পৰাকৈ পৃথিৱী আৰু উৰ্বীৰুহ,
সুৰূপ বসন্ত, সুৰূপা তুমি;
তেজৰঙা আকাশ- জীৱন প্ৰীতি।
জীৱন সাম্প্ৰতিক কিছু সপোন,
এমুখ যন্ত্ৰণাৰ ফাগুন;
বসন্ত ৰৈ থাকে অনাদি-অনন্ত
ব’হাগ হৃদয়ৰ সেউজীয়া বৰ্ণ।
যিদৰে তুমি মোলৈ স্বয়ং স্বপ্নিল- তোমালৈ;
হৃদয়ে আঁকা একাকী আলিবাটত মানুহ বৰদৈচিলা।
বসন্তদূত ব’হাগ- আবদাৰ প্ৰীতি ঋতুপতি;
হৃদয় চুই আৰু জুই
মানুহ ফাগুন আৰু সেউজীয়া।



## ব’হাগৰ বুকুত তোমাৰ ঠিকনা

— জেৰী পেগু

নাহৰৰ ডালত কুলিটিৰ বিননি,
বতাহত কপৌৰ গোন্ধ;
তোমাৰ হাঁহিত বিৰিঙি উঠিছে
ব’হাগী মেলাৰ ছন্দ।
জেতুকাবুলীয়া হাতৰ তলুৱাত
আঁকি দিওঁ মোৰ গান;
বিহুৱানখনিৰ পাহে পাহে ৰচোঁ
তোমাৰ মোৰ অভিমান।
মুগাৰ সাজত তুমি অপৰূপা,
উলাহে নধৰে হিয়া;
আমাৰ প্ৰেমৰ এই ৰঙীন বিহুটি
এক সপোন সজাই দিয়া।
কেতেকী ফুলাৰ নিশাটিৰ দৰে
গভীৰ আমাৰ মৰম;
তোমাৰ বুকুৰ বিহুতলীখনত
হ’ব মোৰ নতুন জনম।

## আদৰণি

— ৰশ্মি ৰেখা শইকীয়া ভূঞা

আহ ঐ আহ ওলাই আহ,
ফাগুনীজনীক আদৰোঁ আমি;
ফাগুনৰ বতাহ ধুঁৱলী-কুঁৱলী
চ’তৰ আগমনত
ফাগুনীজনী গ’লগৈ গুচি।
চ’ততে মচগুল
ব’হাগ অহাৰ বাতৰি পাই;
বৰদৈচিলাই জাননী দিলে
ধুমুহা হৈ আহিব তাই।
ৰঙালী বিহু অতিকৈ আপোন,
সকলোৰেই মচগুল;
চেমনীয়াৰ ঢোলৰ চাপত
শিমলু-তুলা উৰে গাত।
ফাগুনতে শিমলু ফুলে,
ডালবোৰ ফুলৰে ভৰে;
আহ ঐ আহ ওলাই আহ
ব’হাগত ৰাঙলী হওঁ।
ব’হাগ মাথোঁ আহে আৰু যায়
হাতৰ কপৌফুল হাততে শুকায়।

## টেঙাফুলীয়া গোন্ধ এটাৰে

— গীতা দেৱী নেওগ

সেই যে টেঙাফুলীয়া গোন্ধ এটাৰে
আমি গজি উঠিছিলোঁ;
গাঢ় ৰঙা হৈ আছিল আকাশ,
চাৰি চকুত জিলিকিছিল কাঞ্চন।
হাত বুলাই বুলাই তেতিয়াৰে পৰাই
নিজৰ ভিতৰতে শান্ত কৰি ৰাখিছোঁ-
কত অশান্ত কলৰৱ!
এইবাৰ আমাৰ প্ৰথম বসন্ত;
মেঘ নামি আহিলেই
ইচ্ছামতে তৈয়াৰ কৰিম
ঋতু পৰিৱৰ্তনৰ।
মই মোৰ হৈয়ো মোৰ নহয়,
তুমি তোমাতকৈও বেছি মোৰ;
মোৰ গোপন উশাহ-নিশাহবোৰত
তুমি বিশ্ৰাম কৰা।
মৃৎপাত্ৰত পান কৰাওঁ তোমাক
মোৰ বয়সীয়া নৈৰ পানী;
আৰু তোমালৈ চাই ৰওঁ
বেলিয়ে পোহৰাই ৰাখে তোমাক,
পলাশৰ ৰঙা উজাগৰ দুখবোৰ ঢাকিবলৈ!

## নৱজীৱনৰ ব’হাগী সুৰ

— আফ্ৰোজা ইয়াচমিন

ব’হাগ, তুমি আকৌ আহিলা
আনন্দৰ উচ্ছল জোৱাৰ লৈ;
তোমাৰ আগমনত
প্ৰকৃতিৰ বুকুত জাগে
নৱজীৱনৰ সুৰভি মধুৰ।
গছ-লতাই মেলি দিয়ে
কুঁহিপাতৰ সেউজীয়া হাঁহি;
শিমলু, পলাশ, অশোক ফুলে-
পুৰণি সাজ ত্যাগি
পিন্ধে বসন্তৰ ৰঙীন আভৰণ।
বিহংগ-পক্ষীয়ে আকাশত
উল্লাসেৰে নাচি উঠে;
কুলি-কেতেকীৰ মধুৰ মাতত
প্ৰকৃতিৰ অন্তৰত
বাজে সুৰৰ কোমল ঢৌ।
ডেকা-গাভৰুৰ মনত
উঠে ৰাঁই-জাঁই উচ্ছ্বাস;
নাচনীয়ে খোপাত সজায়
সুগন্ধি কপৌফুল,
ঢুলীয়াৰ ঢোলৰ ছেৱে-ছেৱে
মতলীয়া হৈ নাচে
অসমীয়া প্ৰাণৰ স্পন্দন।
ব’হাগ...,
তুমি অসমীয়াৰ
প্ৰাণৰো প্ৰাণ;
তোমাৰ মৃদু স্পৰ্শতেই
জাগি উঠে পুনঃ
প্ৰকৃতিৰ নৱজীৱনৰ
অমল উজাগৰ।

**মডেল পৃষ্ঠা**



সৃষ্টি দাস, মাৰ্ঘেৰিটা

## জগৰীয়া আমি নে সময়?

■ স্মৃতা শইকীয়া

বৰ বেছি দিনৰ কথা নহয়, তথাপিও মনত এতিয়াও জীয়াই আছে শৈশৱৰ সেই সেউজীয়া দিনবোৰ। মাৰ গালিৰ ভয়ত মনে-মনে আইতা বা মাৰ আলনাত জাপি থোৱা চাদৰখন পিন্ধি লগৰকেইজনীৰ সৈতে দৰা-কইনা খেলিছিলোঁ। নাৰিকলৰ কোৰোকাত বালি লৈ ভাত ৰন্ধা, চোতালত আঁচ পাৰি টেকেলিৰ ভঙা টুকুৰাৰে শৰাই-সাগৰ খেলা, শিলগুটিৰে চেংগুটি বা পানকতা-এই সাধাৰণ খেলবোৰেই আছিল আমাৰ শৈশৱৰ সৰ্বাধিক আনন্দ। তেতিয়াৰ সময়ত খেল মানে আছিল মিলিজুলি থকা, হাঁহি-ধেমালি কৰা আৰু প্ৰকৃতিৰ বুকুত ডাঙৰ হোৱা। গছৰ ছাঁত বহি সাধু কোৱা বা নিজেই নতুন খেল উদ্ভাৱন কৰা আদি এইবোৰেই আছিল আমাৰ বিনোদন।

সেই সময়ত সন্ধিয়া নামিলেই চোতাল ভৰি উঠিছিল শিশুৰ হাঁহিৰ শব্দৰে। কিতাপ পঢ়া, আইতাই কোৱা সাধু শুনা আৰু উৎসৱৰ দিনত পৰম্পৰাগত খেল-ধেমালিত অংশ লোৱা এইবোৰে শৈশৱক কৰিছিল অধিক জীৱন্ত। খেলৰ জৰিয়তে আমি শিকিছিলোঁ সহযোগিতা, ধৈৰ্য আৰু পৰাজয় স্বীকাৰ কৰিব পৰা মানসিকতা।

কিন্তু বৰ্তমানৰ দৃশ্যপট সম্পূৰ্ণ ভিন্ন। এতিয়া অধিকাংশ শিশুৱে অৱসৰ সময় কটায় ম’বাইল ফোন বা কম্পিউটাৰৰ আগত। সিহঁতে এতিয়া ‘ফ্ৰী-ফায়াৰ’ (Free Fire) বা ‘পাবজি’ (PUBG) আদি ডিজিটেল খেলকহে অধিক চিনি পায়। এই খেলবোৰে তৎক্ষণাৎ ৰোমাঞ্চ যোগালেও শিশুক শাৰীৰিক খেল-ধেমালিৰ পৰা আঁতৰাই নিছে। ফলস্বৰূপে, সিহঁতৰ দৈহিক সক্ৰিয়তা হ্ৰাস পাইছে আৰু সামাজিক সম্পৰ্কও সীমিত হৈ পৰিছে। আগতে কামৰ মাজত আমনি কৰিলে আমাক সাধু কিতাপ পঢ়িবলৈ দিয়া হৈছিল; কিন্তু বৰ্তমানৰ ব্যস্ত জীৱনশৈলীত অভিভাৱকসকলে শিশুৱে আমনি কৰিলে সহজ উপায় হিচাপে হাতত ম’বাইল ফোনটো তুলি দিয়ে। এই অভ্যাসে শিশুৰ মনোযোগ, ধৈৰ্য আৰু সৃষ্টিশীলতাৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাব পাৰে।

অৱশ্যে, প্ৰযুক্তিক সম্পূৰ্ণৰূপে বেয়া বুলি ক’ব নোৱাৰি। সঠিক ব্যৱহাৰে ই জ্ঞান আৰু দক্ষতা বৃদ্ধি কৰিব পাৰে; কিন্তু ইয়াৰ সীমা নিৰ্ধাৰণ কৰাটো অতি প্ৰয়োজনীয়। শিশুক আমাৰ পুৰণি খেলসমূহৰ সৈতে চিনাকি কৰি দিয়া, প্ৰকৃতিৰ সৈতে সংযোগ ঘটোৱা আৰু পৰম্পৰাগত মূল্যবোধ শিকোৱাটো সমানেই গুৰুত্বপূৰ্ণ।

সেয়েহে প্ৰশ্নটো পুনৰ উত্থাপন হয় জগৰীয়া আমি নে সময়? সময় সদায় সলনি হ’ব, কিন্তু শিশুৰ অভ্যাস গঢ়ি তোলাত অভিভাৱক আৰু সমাজৰ ভূমিকা সদায় অপৰিহাৰ্য। যদি আমি অতীতৰ সেই সৰলতা আৰু বৰ্তমানৰ প্ৰযুক্তিৰ মাজত এক সুষম পথ বাছি লওঁ, তেনেহ’লেহে আমাৰ ভৱিষ্যৎ প্ৰজন্ম সুস্থ, সচেতন আৰু মূল্যবোধসম্পন্ন নাগৰিক হিচাপে গঢ় লৈ উঠিব। ■



## জীৱনৰ সোঁত নদীৰ দৰে

■ কাৰ্চাং তাকাৰ

মানুহৰ জীৱনটো এটি নদীৰ দৰে; যাৰ কোনো স্থিৰ আকাৰ নাই, যিয়ে সকলো পৰিস্থিতিতে নিজকে খাপখোৱাব পাৰে। মানুহৰ জন্ম হৈছে যেতিয়া, কোনোবা এটা দিনত এই পৃথিৱী এৰি যাবই লাগিব। কিন্তু জীয়াই থকা সময়ছোৱাত মানুহৰ মন আকাশলংঘী। আমি মনক ধৰি ৰাখিব নোৱাৰোঁ। স্কুলীয়া দিনলৈ ঘূৰি গ’লে শিক্ষাগুৰুসকলে শ্ৰেণীকোঠাত কোৱা সেই কথাষাৰ মনত পৰে- “চকু আছে কিতাপত, মন আছে বজাৰত।” আচলতে আমাৰ মনবোৰ তেনেকুৱাই।

নদী আৰু মনৰ মাজত এক গভীৰ সম্পৰ্ক আছে। নদীৰ ভৌগোলিক অৱস্থান আৰু গতিপথ যিদৰে সলনি হৈ থাকে, সেই পৰিৱৰ্তনক আমি আমাৰ মন আৰু শাৰীৰিক অৱয়বৰ সৈতে ৰিজাব পাৰোঁ। শিশুৰ পৰা বৃদ্ধ বয়সলৈকে মানুহ সলনি হয়, ঠিক যেনেকৈ এখন নদী পাহাৰৰ পৰা ওলাই সাগৰত বিলীন হোৱালৈকে নিজৰ ৰূপ সলাই থাকে। সাধাৰণভাৱে চালে নদী এখনৰ অৱস্থাক আমি তিনিটা পৰ্যায়ত ভগাব পাৰোঁ: যৌৱন কাল, প্ৰৌঢ়াৱস্থা আৰু বৃদ্ধাৱস্থা।

নদীৰ ক্ষেত্ৰত পোনপটীয়াকৈ ‘শিশু অৱস্থা’ দেখা নাযায় যদিও কল্পনা কৰিব পাৰি যে নদীখন সৃষ্টি হোৱা সময়ছোৱাই ইয়াৰ শিশুকাল। পৰ্বত-পাহাৰৰ শিখৰত থকা হিমবাহ গলি নদী হোৱা সময়খিনিয়েই সেইটো। নদীৰ যৌৱনকালত- পাহাৰৰ পৰা ভৈয়ামলৈ নামি আহোঁতে এজন ডেকা ল’ৰাৰ দৰে ইয়াৰ প্ৰচুৰ শক্তি থাকে। নদীখনে পাহাৰৰ দাঁতিসমূহ খহাই 'V' আকৃতিৰ উপত্যকা গঢ় দিয়ে। তাত কোনো প্লাৱন ভূমি নাথাকে আৰু নদীখন বিসৰ্পণ গতিৰে বৈ যাবলৈ ধৰে। ঠিক তেনেদৰে মানুহৰ যৌৱনকালতো প্ৰচুৰ দৈহিক শক্তি আৰু কৰ্মস্পৃহা দেখা যায়। এই সময়ছোৱাতে মানুহে শক্তিৰ উৰ্ধত গৈ বহু দুৰূহ কাম সম্পন্ন কৰে। নদীখনে উপনদী-শাখানদীৰ লগত মিলিত হোৱাৰ দৰে মানুহৰো এই সময়ত ভিন্ন লোকৰ সৈতে সামাজিক দায়বদ্ধতা গঢ়ি উঠে।

প্ৰৌঢ়াৱস্থাত (Mature Stage) নদ-নদীবোৰৰ পানীৰ পৰিমাণ বা উপনদীৰ সংখ্যা কিছু হ্ৰাস পায়। নদীখন এটা স্থানত স্থিৰ হৈ দ আৰু বহল হয়, য’ত সাৰুৱা প্লাৱন ভূমি দেখা যায়। মানৱ জীৱনৰ লগতো ইয়াৰ যথেষ্ট মিল আছে। এই সময়ছোৱাত মানুহে চঞ্চল হৈ থকাতকৈ এটা নিৰ্দিষ্ট কামত মনোনিৱেশ কৰিব বিচাৰে। অতীতক পাহৰি ভৱিষ্যতৰ বাবে সুস্থিৰ চিন্তা কৰে আৰু দুখ-কষ্টবোৰ নীৰৱে সহিব পৰা ক্ষমতা অৰ্জন কৰে।

তৃতীয় পৰ্যায়ত, মানুহৰে হওক বা নদীৰেই হওক- বৃদ্ধাৱস্থাত গতি স্তিমিত হৈ আহে। সৰু সৰু উপনদীৰ দৰে মানুহৰ জীৱনৰ হাবিয়াস আৰু হেঁপাহবোৰো পাহৰণিৰ গৰ্ভত হেৰাই যাবলৈ ধৰে। এইখিনিতে কবি নৱকান্ত বৰুৱাৰ “ইয়াত নদী আছিল” কবিতাটোৰ কথা মনলৈ আহে। নদীখন পাহাৰৰ পৰা নামি আহি শিলনিলৈ ৰূপান্তৰিত হোৱাই জীৱনৰ গতি স্তব্ধ হোৱাৰ নিদৰ্শন দাঙি ধৰে। ঠিক তেনেদৰে, এসময়ৰ শক্তিশালী মানুহজনো ক্ৰমাৎ শক্তিহীন হৈ নীৰস হৈ পৰে।

অৱশেষত ক’ব পাৰি যে, মানুহ আৰু নদী- দুয়োৰে যাত্ৰা একেই এক চিৰন্তন সোঁতৰ কাহিনী। নদীয়ে যিদৰে বাধা নেওচি সাগৰ অভিমুখী হয়, মানুহেও তেনেদৰে সুখ-দুখৰ মাজেৰে জীৱনৰ বিয়লি বেলাত উপনীত হয়। নদীৰ পানী বাষ্প হৈ পুনৰ আকাশলৈ যোৱাৰ দৰেই, মানুহৰ নশ্বৰ দেহটোও এদিন প্ৰকৃতিৰ বুকুত বিলীন হৈ যায়; কেৱল ৰৈ যায় তেওঁলোকৰ কৰ্মৰ অৱশেষ- ঠিক যেনেকৈ নদীয়ে এৰি থৈ যায় সাৰুৱা পলস।

*খিলখিলীয়া হাঁহিৰে বৈ গৈছিল জীৱন*
*ঠিক নদীৰ দৰে,*
*শেষত মাথোঁ বৈ গ’ল-*
*নদীৰ দৰে অৱশেষ।*

কত যে ঢৌ তোলা জীৱনৰ সোঁতেৰে খেলিছিল-

*অয়াঙে-দয়াঙে উথলি উঠিছিল প্লাৱন,*
*গজি উঠিছিল তেওঁৰ খলাত*
*যৌৱনৰ বৰ পথাৰৰ ঝাওঁবন।*
*কিন্তু হঠাতে ঢিমিত হ’ল-*
*চহা সপোনৰ চঞ্চল লহৰ,*
*সোণ, ৰূপেৰে জিলিকা সেউজ*
*পথাৰবোৰ*
*পলকতে মৰুভূমি হ’ল।*
*এতিয়া ইয়াত কোনো নদী নাই,*
*মাথোঁ আছে স্মৃতিৰ পথাৰ*
*আৰু এখন মৰুভূমি।।* ■

